## ভিতৰৰ পৃষ্ঠাত


ধৰ্মীয় জ্ঞান, নৈতিকতা... পৃষ্ঠা ৪

অসমীয়া সমাজৰ... পৃষ্ঠা ৫

নিচামুক্ত ভাৰত অভিযান পৃষ্ঠা ৭

ৰহস্যভেদী নিখিলেশ পৃষ্ঠা ৮



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ


# অসম ভূমি


জাতীয় স্বাৰ্থত দায়বদ্ধ


■ Vol:13 ■ Issue: 46 ■ Guwahati ■ Wednesday ■ 8 July, 2026 ■ Rs. 5 ■ বছৰ- ১৩ ■ সংখ্যা- ৪৬ ■ গুৱাহাটী ■ বুধবাৰ ■ ২৩ আহাৰ, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা


### অসমত পাঁচ বছৰত অপৰাধজনিত ঘটনা ৩,৭৮,৮৪৩

# ৰাজ্যত পঞ্জীয়নভুক্ত নিবনুৱা ১৫.৪৩ লাখ

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** ৰাজ্য চৰকাৰে বিভিন্ন বিভাগত নিযুক্তি প্ৰক্ৰিয়া অব্যাহত ৰাখিলেও ৰাজ্যত হ্ৰাস পোৱা নাই পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা। যোৱা ৩০ জুনৰলৈকে অসমত চৰকাৰীভাৱে পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা হৈছে গৈ ১৫,৪৩,৩৫০ গৰাকী। এই সংখ্যা ৰাজ্যখনৰ ভিতৰত কামৰূপ মহানগৰ জিলাতে সৰ্বাধিক। জিলাখনত পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা হৈছে ১,২৪,৭৪৪ গৰাকী। অসম বিধানসভাৰ মজিয়াত এক লিখিত প্ৰশ্নৰ উত্তৰত এই তথ্য সদৰি কৰিছে মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে। মন্ত্ৰীগৰাকীয়ে বিধানসভাত দিয়া তথ্য অনুসৰি অসমত ডিব্ৰুগড়ত পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা হৈছে ১,১০,৬০৫ গৰাকী। আনহাতে, এইক্ষেত্ৰত তৃতীয় স্থান থকা বৰপেটা জিলাত পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা হৈছে ৯১,৩১২ গৰাকী। উল্লেখ্য যে পূৰ্বতে ৰাজ্যৰ জিলাই জিলাই থকা নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে চৰকাৰী চাকৰিত নিযুক্তিৰ ব্যৱস্থা কৰা হৈছিল যদিও বৰ্তমান সময়ত এনে ব্যৱস্থাৰে চৰকাৰী চাকৰিত নিযুক্তি দিয়া নহয়। অৱশ্যে ২০১৬ৰ পৰা ২০২৫ চনলৈ নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে ব্যক্তিগত খণ্ডত ৩০,৬৫৬ গৰাকী নিবনুৱাই সংস্থাপন লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজ্যত নিবনুৱাৰ সংখ্যা এনেদৰে উদ্বেগজনকভাৱে বৃদ্ধি পোৱাৰ ■ ১১ পৃষ্ঠাত



অসমৰ বাবে সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি কৰি নতুন দিল্লীত জাপানৰ ৰাষ্ট্ৰদূত অ'নো কেঈচিৰে বিভিন্ন বিষয়ত মতবিনিময় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

## অসমত অনা অসমীয়াৰ দপ্‌দপনি

■ পবিত্ৰ কুমাৰ শৰ্মা

কিছুদিন পূৰ্বে গুৱাহাটীৰ মাজমজিয়াত অনা অসমীয়াক লৈ হাহাকাৰৰ সৃষ্টি হৈছিল। দুদিন মান চিঞঁৰ-বাখৰ, হুলস্থূল, তাৰ পাছত ধানখেৰৰ জুই। যি সকল অনা অসমীয়াই অসমত কৰ্ম কৰি খাই আছে বা পৰিশ্ৰম কৰি খাই আছে, তেওঁলোকৰ প্ৰতি বিশেষ ক'ব লগা নাই। যি সকলে বেলেগ ৰাজ্যৰ পৰা পেটৰ ভোকত আহি ভোক নিবাৰণ কৰিবলৈ আমাৰ ৰাজ্যত প্ৰৱেশ কৰিছে তেওঁলোককো অসমীয়া ৰাইজে অন্নদান কৰিছে। কাৰণ শাস্ত্ৰত উল্লেখ থকা 'অতিথি দেবো ভৱঃ' অসমীয়াসকলে মানি চলে। অসমীয়াৰ দুৰ্বলতাৰ সুযোগ লৈ 'এদেও, দুদেও লোটা নিয়াৰ চেও'ৰ নিচিনাকৈ বহুবোৰ অনা-অসমীয়াই মাটি-বাৰী কিনি ঘৰ-দুৱাৰ বনাই তজবজীয়া হৈ পৰিল। কৰ্মপটুতা থকা সকলে এখন দোকানৰ পৰা ৪/৫ খন কৰিলে। বহুবোৰে উদ্যোগো স্থাপন কৰিলে। তেতিয়ালৈকে আমাৰ আপত্তি নাই। আমাৰ আপত্তি আহিল আপোনাসৱে যেতিয়া খোৱা ■ দুই পৃষ্ঠাত

### স্বাস্থ্য বিভাগৰ কাম-কাজৰ পৰ্যালোচনা মন্ত্ৰী অশোক সিংহলৰ

# জাপানীজ এনকেফেলাইটিছৰ বিৰুদ্ধে যুদ্ধকালীন পদক্ষেপৰ নিৰ্দেশ



**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** অসমৰ স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে যোৱা সোমবাৰে বিয়লি ৪ বজাত ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে ৰাজ্যখনৰ সকলো জিলাৰ সৈতে এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত কৰে। সভাত বৰ্তমানৰ জাপানীজ এনকেফেলাইটিছ আৰু জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগৰ শেহতীয়া পৰিস্থিতি, প্ৰতিৰোধমূলক আৰু চিকিৎসামূলক ব্যৱস্থা, যক্ষ্মা মুক্ত ভাৰত অভিযানৰ অগ্ৰগতি সন্দৰ্ভত বিশদভাৱে পৰ্যালোচনা কৰে। এই ভিডিঅ' কনফাৰেন্সত স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে স্বাস্থ্য বিভাগ, জিলা প্ৰশাসন আৰু সংশ্লিষ্ট সকলো সংস্থাক অধিক সমন্বয়ৰে কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ■ দুই পৃষ্ঠাত



## ডাঃ বাবুল বেজবৰুৱা জি এম চি এইচৰ নতুন অধ্যক্ষ

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** নলবাৰীত চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ বাবুল কুমাৰ বেজবৰুৱাক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰিছে ৰাজ্য চৰকাৰে। যোৱা ৬ জুলাইত এক অধিসূচনাৰ ■ ১১ পৃষ্ঠাত

### 'সংস্কৃত ভাৰতীয় জ্ঞান-সংস্কৃতি, দৰ্শন-চিৰন্তন ঐতিহ্যৰ বাহক'

# সংস্কৃতত শপত ঃ দেশৰ প্ৰথমগৰাকী মন্ত্ৰী বিমল বড়া



**গুৱাহাটী ঃ** দেৱভাষা সংস্কৃত কেৱল এটি ভাষাই নহয়, ই ভাৰতীয় জ্ঞান-সংস্কৃতি, দৰ্শন আৰু চিৰন্তন ঐতিহ্যৰ এক মহামূল্যবান বাহক সংস্কৃত ভাৰতী, উত্তৰ অসম প্ৰান্তৰ উদ্যোগত অসম বিধানসভাৰ কেন্দ্ৰীয় সভাগৃহত আয়োজিত 'বিশেষ সম্বৰ্ধনা অনুষ্ঠান'ত অংশগ্ৰহণ কৰি ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বড়াই এইদৰে কয়। এই মহান ঐতিহ্যক অধিক জনমুখী কৰি তোলাৰ বাবে কাম কৰি থকা সংগঠন সংস্কৃত ভাৰতীক মন্ত্ৰী বড়াই আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। সুসংহত, পৰিমাৰ্জিতই হৈছে সংস্কৃত বুলি উল্লেখ কৰি মন্ত্ৰী বড়াই খৃষ্টপূৰ্ব ডেৰ হাজাৰ বছৰ পূৰ্বে বিকাশ লাভ কৰা সংস্কৃত ভাষাত আদি গ্ৰন্থ ঋকবেদ ৰচনা হৈছিল বুলিও কয়। অসমত আৰু সমগ্ৰ ভাৰতবৰ্ষতে দেৱভাষা সংস্কৃতৰ প্ৰতি নতুন আগ্ৰহ, সজাগতা আৰু সন্মানৰ এক ইতিবাচক পৰিবেশ গঢ় লৈ উঠিছে ■ দুই পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

## সংস্কৃতত শপত ঃ দেশৰ প্ৰথমগৰাকী

বুলি মন্ত্ৰী বড়াই ব্যক্ত কৰে। এই অনুষ্ঠানত সংস্কৃত ভাষাত শপত গ্ৰহণ কৰা অসম বিধানসভাৰ ১৭ গৰাকী বিধায়কৰ ভিতৰত ১৩ গৰাকীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰি সংস্কৃত ভাৰতীৰ সাংগঠনিক সম্পাদক ভবেন শইকীয়াই সংস্কৃত ভাষাত শপত গ্ৰহণ কৰা দেশৰ ৰাজ্যসমূহৰ ভিতৰত বিমল বড়াই প্ৰথমগৰাকী মন্ত্ৰী বুলি উল্লেখ কৰে। এই অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাস, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু বিশ্বজিৎ দৈমাৰী, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ উত্তৰ অসম প্ৰান্তৰ কাৰ্যবাহী খগেন শইকীয়াও ভাষণ প্ৰদান কৰে। সংস্কৃত ভাৰতী উত্তৰ অসম প্ৰান্তৰ সভানেত্ৰী ড° সুদেষ্ণা ভট্টাচাৰ্যই আঁতধৰা সম্বৰ্ধনা অনুষ্ঠানত সাংসদ তথা ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ মাননীয় সভাপতি দিলীপ কুমাৰ শইকীয়া , কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু প্ৰাচ্য অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড° প্ৰহ্লাদ যোশী, সংস্কৃত ভাৰতীৰ সাধাৰণ সম্পাদক পংকজ শৰ্মাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি তথা ২৩ খন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থী উপস্থিত থাকে।

## অসমত অনা অসমীয়াৰ দপ্‌দপনি

কাঁহিতে পাইখানা কৰিলে। আপোনালোকক বহিবলৈ দিওঁতে শুবলৈ ধৰিলে, আপোনালোকক সংৰক্ষণ লগা হ'ল, অসমীয়াৰ ওপৰত আপোনালোকে দাদাগিৰি কৰিব পৰা হ'ল, মাৰপিত কৰিব পৰা হ'ল, নিজৰ জাতিৰ মানুহক বিধায়ক পদ দিবলৈ দাবী- ধমকি দিব পৰা হ'ল। অনা-অসমীয়াই থলুৱা লোকসকলৰ ওপৰত গুণ্ডাগিৰি কৰিবলৈ সাহস ক'ত পালে? তাৰ উত্তৰত ক'ব বিচাৰো সাহস আৰু সহযোগিতা আমাৰ কিছুমান মানুহেই আগবঢ়ালে। জানি আচৰিত হ'ব যে এপেগ মগৰ কাৰণে আত্ম সন্মান বিক্ৰী কৰা অসমীয়া বহুত আছে। দুখৰ বিষয় যে আমাৰ ৰাজ্যখনৰ নাম আছিল প্ৰাগজ্যোতিষপুৰ। এই পবিত্ৰ অসমভূমিতেই নব্যবিজ্ঞানৰ সৃষ্টি নৌহওঁতেই গ্ৰহ-নক্ষত্ৰ আৰু সভ্যতা সংস্কৃতিৰ বিকাশ হৈছিল। এই সময়ত বহুবোৰ ৰাজ্যতকৈ অসম বহুত আগবঢ়া আছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে আমাৰ এলেহুৱা স্বভাৱৰ বাবে এতিয়া সকলো অনা অসমীয়া হাতত। গুৱাহাটী ভিতৰতে ডাঙৰ ডাঙৰ ব্যৱসায়, অট্টালিকা, পাইকাৰী ব্যৱসায়, চিএনএফ, ডাঙৰ ডাঙৰ হোটেল, উদ্যোগ আদিৰ মালিক এতিয়া অনা অসমীয়া। গুৱাহাটীত প্ৰায় ৭০% ডাঙৰ ব্যৱসায়ী অনা অসমীয়া। বেলতলা, লখৰা, ফেঞ্চিবজাৰ, আঠগাঁও, হাতীগাঁও আদি ঠাইত অসমীয়া ভাষা ব্যৱহাৰ নহয়। লাজৰ কথা যে লাচিতৰ দেশৰ মানুহ এতিয়া অনা অসমীয়াৰ চাকৰ। কিবা ৰাজহুৱা কামত বা চান্দা আদি বিচাৰি গ'লে ভঙা-ভঙা অসমীয়াতে সেইসকলে কয় আমি অসমীয়া। কিন্তু ঘৰত বা সমাজত নিজা নিজা ভাষা। বহুতো ৰাজস্থানী মানুহে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদৰ উদাহৰণ দিয়ে। হেৰৌ ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ মাৰোৱাৰী নাছিল। তেওঁ আছিল এজন অসমীয়া, অসমীয়া ছোৱালী বিয়া পাতি অসমীয়া ধৰ্ম সংস্কৃতি গ্ৰহণ কৰি, অসমীয়া ভাষাত সাহিত্য গীত-মাত চৰ্চা কৰি দেশ সেৱা কৰিছিল। অসমত ইমানবোৰ, গুণী-জ্ঞানী, ধনী-মানী মানুহ থকাৰ পাছতো গুৰুত্বপূৰ্ণ পদবীবোৰত অনা অসমীয়া। আনহে নালাগে থলুৱা নাচিংহোম, লঘু উদ্যোগ আদিৰ ক্ষমতাশীল পদবোৰত অনা অসমীয়া। প্ৰত্যেকজন মন্ত্ৰী, বিধায়ক, অধ্যক্ষৰ লগত একো একোজন অনা অসমীয়া। কিয় থাকে জানানে? কথাটো নগেন। একতাৰ অভাৱ, নিজৰ মানুহ আগবাঢ়ি যোৱাটো আমাৰ মানুহে নিবিচাৰে। এতিয়াও সময় আছে যদি অনা-অসমীয়াৰ চৰণৰ খাবলৈ মন নাই, তেন্তে সকলো জাতি–জনজাতি, জনগোষ্ঠী এক হ'ব লাগিব। ইজনে-সিজনক ভাতৃত্বৰ বা বন্ধুত্বৰ এনাজৰীৰে বান্ধিব লাগিব।

## জাপানীজ এনকেফেলাইটিছৰ

তেওঁ কয় যে জনসাধাৰণলৈ উন্নত, সময়োপযোগী আৰু ফলপ্ৰসূ স্বাস্থ্যসেৱা আগবঢ়োৱাৰ বাবে সকলো বিভাগে একেলগে কাম কৰিব লাগিব। একে সময়তে চৰকাৰৰ স্বাস্থ্য সম্পৰ্কীয় আঁচনিসমূহ সঠিক সময়ত আৰু সুচাৰুৰূপে ৰূপায়ণ নিশ্চিত কৰিবলৈও তেওঁ সংশ্লিষ্ট বিষয়াসকলক আহ্বান জনায়। জাপানীজ এনকেফেলাইটিছ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে আগতীয়াকৈ ৰোগ চিনাক্তকৰণ, জ্বৰত আক্ৰান্ত ৰোগীৰ পৰ্যবেক্ষণ, জনসাধাৰণৰ মাজত আঁঠুৱাৰ ব্যৱহাৰ বৃদ্ধি, বেচৰকাৰী চিকিৎসালয়সমূহৰ সৈতে তথ্য আৰু চিকিৎসা সমন্বয় শক্তিশালী কৰা, ম'হ নিয়ন্ত্ৰণৰ বাবে ধোঁৱা দিয়াৰ ব্যৱস্থা নিয়মীয়াকৈ চলাই নিয়া আৰু জনসচেতনতা বৃদ্ধি কৰাৰ দৰে বিষয়সমূহত বিশেষ গুৰুত্ব দিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ লগতে যক্ষ্মা নিৰ্মুল অভিযান অধিক ত্বৰান্বিত কৰাৰ ওপৰতো জোৰ দিয়ে। বিশেষকৈ কম ফলাফল দেখুওৱা জিলাসমূহক অধিক সক্ৰিয়ভাৱে কাম কৰি ৰোগী চিনাক্তকৰণ, চিকিৎসা আৰু চৰকাৰী সুবিধাসমূহৰ লাভ নিশ্চিত কৰিবলৈ নিৰ্দেশ প্ৰদান কৰা হয়। সভাত নিক্ষয় পোষণ যোজনাৰ অধীনত যক্ষ্মা ৰোগীসকললৈ পুষ্টিগত সহায় সঠিক সময়ত প্ৰদান কৰাৰ বিষয়েও বিশদ আলোচনা কৰা হয়। উল্লেখ্য যে এই সন্দৰ্ভত চিকিৎসা মহাবিদ্যালয়সমূহৰ অধক্ষ্য আৰু বিশেষজ্ঞ চিকিৎসকসকলৰ পৰা বিভিন্ন পৰামৰ্শ গ্ৰহণ কৰা হয় যাতে স্বাস্থ্যসেৱা ব্যৱস্থাক অধিক শক্তিশালী কৰি তোলা যায়। এই সভাত সকলো জিলা আয়ুক্ত, স্বায়ত্তশাসিত পৰিষদসমূহৰ মুখ্য সচিব, স্বাস্থ্য বিভাগৰ অতিৰিক্ত জিলা আয়ুক্ত, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, চিকিৎসা মহাবিদ্যালয়সমূহৰ অধক্ষ্য আৰু অন্যান্য সংশ্লিষ্ট বিষয়াসকলে অংশগ্ৰহণ কৰে। ইয়াৰ উপৰি সভাত স্বাস্থ্য বিভাগৰ আয়ুক্ত-সচিব ডাঃ পি. অশোক বাবু, অতিৰিক্ত সচিব মুনীন্দ্ৰ নাথ ঙাটে, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ মিছন সঞ্চালক ডাঃ লক্ষ্মনন এছ, চিকিৎসা শিক্ষা সঞ্চালক ডাঃ মনোজ কুমাৰ চৌধুৰী, এনএইচএম অসমৰ কাৰ্যবাহী সঞ্চালক ডাঃ অভিজিৎ শৰ্মা আৰু স্বাস্থ্য বিভাগৰ অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। সভাৰ অন্তত স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে সকলো জিলাক জাপানীজ এনকেফেলাইটিছ নিয়ন্ত্ৰণ, যক্ষ্মা নিৰ্মুল অভিযান, মাতৃ-শিশু স্বাস্থ্যসেৱাৰ উন্নয়ন আৰু চৰকাৰৰ স্বাস্থ্য আঁচনিসমূহ সময়মতে আৰু ফলপ্ৰসূভাৱে ৰূপায়ণ নিশ্চিত কৰিবলৈ প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ নিৰ্দেশ প্ৰদান কৰে।



### দিছপুৰত মুখ্যমন্ত্ৰীৰে আলোচনা অসম বাৰ্তাজীৱী সংঘৰ

# সাংবাদিকৰ সমস্যা সমাধানৰ আশ্বাস ড° শৰ্মাৰ

**গুৱাহাটী ঃ** অসমৰ কৰ্মৰত সাংবাদিকসকলৰ সকলো প্ৰকাৰৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে এখন সুকীয়া আইন প্ৰণয়নৰ বাবে ৰাজ্য চৰকাৰক দাবী জনাইছে অসম বাৰ্তাজীৱী সংঘই। যোৱা ৪ জুলাইত দিছপুৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি সংঘৰ এটা প্ৰতিনিধি দলে ৰাজ্যখনৰ সাংবাদিকসকলে সন্মুখীন হৈ অহা বিভিন্ন সমস্যাৰ বিষয়ে উল্লেখ কৰি সাংবাদিকৰ সুৰক্ষা নিশ্চিত কৰিবলৈ অসম চৰকাৰক এখন সুকীয়া আইন প্ৰণয়নৰ দাবী জনায়। অসম বাৰ্তাজীৱী সংঘৰ উপদেষ্টা মুকুট ৰাজ শৰ্মা, উপসভাপতি ভাস্কৰ শৰ্মা, সাধাৰণ সম্পাদক অঞ্জন কুমাৰ শৰ্মা, কোষাধ্যক্ষ নৱনীতা কলিতা আৰু ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য তৰণীচৰণ কলিতাক লৈ গঠিত সংঘৰ প্ৰতিনিধি দলটোৱে মুখ্যমন্ত্ৰীৰ হাতত ৰাজ্যখনৰ সাংবাদিকসকলৰ বিভিন্ন সমস্যা সমাধানৰ দাবী জনাই এখন বাৰ দফীয়া স্মাৰকপত্ৰও প্ৰদান কৰে। এই স্মাৰকপত্ৰখনত সাংবাদিকৰ বাবে এখন সুকীয়া আইন প্ৰণয়নৰ লগতে কৰ্মৰত সাংবাদিকসকলৰ বাবে প্ৰস্তাৱিত স্বাস্থ্য বীমা আঁচনিখন কাৰ্যকৰী কৰা, মাঝিথিয়া দৰমহা বৰ্ডৰ পৰামৰ্শৰ ভিত্তিত অসমৰ সংবাদ প্ৰতিষ্ঠানত কৰ্মৰত সাংবাদিক-সংবাদকৰ্মীৰ প্ৰাপ্য আদায়ৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰা, অসমত অৱসৰপ্ৰাপ্ত সাংবাদিকক দিয়া পেঞ্চনৰ ধনৰাশিৰ পৰিমাণ মাহেকত বৰ্তমানৰ ৮,০০০ টকাৰ পৰা কমেও ২৫,০০০ টকালৈ বৃদ্ধিৰ লগতে হিতাধিকাৰীৰ সংখ্যাও বৃদ্ধি কৰা, সাংবাদিক চিকিৎসা কল্যাণ আঁচনিৰ অধীনত সাংবাদিকক চিকিৎসাৰ বাবে দিয়া ধনৰ পৰিমাণ বৃদ্ধি কৰাৰ লগতে চিকিৎসাধীন অৱস্থাতে সেই ধন আদায়ৰ ব্যৱস্থা কৰা, জনসংযোগ বিভাগৰ প্ৰেছ এক্ৰিডিয়েচন কমিটী আৰু Journalist's Medical Welfare Scheme Selection Committeeত অসম বাৰ্তাজীৱী সংঘৰ সভাপতি-সম্পাদকক স্থায়ী সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা, দুৰণিবটীয়া ৰেলগাড়ীত জনসংযোগ বিভাগৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত সাংবাদিকৰ বাবে প্ৰায় দুই শতাংশ আসন সংৰক্ষণ আৰু টিকত ক্ৰয়ৰ ক্ষেত্ৰত ৰেহাইৰ ব্যৱস্থা পুনৰ প্ৰৱৰ্তন কৰা, অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছত সাংবাদিকৰ বাছ ভাড়াৰ ক্ষেত্ৰত পূৰ্বতে থকা ৰেহাইৰ ব্যৱস্থা পুনৰ প্ৰৱৰ্তন কৰা, জি এম চি এইচকে ধৰি ৰাজ্যখনৰ প্ৰতিখন চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিকৰ চিকিৎসাত ৰেহাইৰ লগতে চিকিৎসা ব্যৱস্থা সৰলীকৰণ কৰা, কৰ্মৰত সাংবাদিকে যাতে বিচাৰিলেই সহায় লাভ কৰে তাৰ বাবে অসম আৰক্ষীৰ এটি টোল-ফ্ৰী নম্বৰ মুকলি কৰা, গুৱাহাটীত এটা জাৰ্নেলিষ্ট গেষ্ট হাউছ নিৰ্মাণৰ ব্যৱস্থা কৰা, সাংবাদিকৰ মেধাৱী সন্তানক অধ্যয়নৰ ক্ষেত্ৰত বিশেষ ৰেহাইৰ ব্যৱস্থা কৰা আৰু অসমত বন্ধ হৈ থকা সাংবাদিকৰ বাবে মিডিয়া ফেল'শ্বিপ, গুডউইল মিছন, 'One Time Grant for Media Personality' পুনৰ প্ৰৱৰ্তন কৰিবলৈ মুখ্যমন্ত্ৰীক দাবী জনোৱা হয়। গুৱাহাটী প্ৰেছ একাডেমীৰ প্ৰস্তাৱিত প্ৰকল্প নিৰ্মাণৰ কাম-কাজো আগবঢ়াই নিবলৈ সংঘই মুখ্যমন্ত্ৰীক অনুৰোধ জনায়। বাৰ্তাজীৱী সংঘৰ প্ৰতিনিধি দলটোৱে সৌহাৰ্দপূৰ্ণ আলোচনাত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যখনৰ সাংবাদিকসকলৰ সমস্যাসমূহ সমাধানত ইতিবাচক পদক্ষেপ গ্ৰহণৰ আশ্বাস দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁৰ হাতত‌েই এইবাৰ জনসংযোগ বিভাগ আছে আৰু অতি সোনকালে বিভাগটোৰ কাম-কাজৰ লগতে বাৰ্তাজীৱী সংঘই প্ৰদান কৰা স্মাৰকপত্ৰৰ দাবীসমূহৰ বিষয়ে বিভাগীয় উচ্চপদস্থ বিষয়াৰ লগত আলোচনা কৰি পদক্ষেপ গ্ৰহণ কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীৰ এনে আন্তৰিকতাপূৰ্ণ পদক্ষেপক অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসূদন মেধী আৰু সাধাৰণ সম্পাদক অঞ্জন কুমাৰ শৰ্মাই আদৰণি জনাই তেওঁৰ নেতৃত্বত ৰাজ্যখনৰ সাংবাদিকসকলৰ মৌলিক সমস্যাসমূহ সমাধান হ'ব বুলি আশা প্ৰকাশ কৰে। উল্লেখ্য যে সংঘৰ প্ৰতিনিধি দলটোৱে মুখ্যমন্ত্ৰীৰ প্ৰধান প্ৰেছ সচিব আৰু জনসংযোগ বিভাগৰ সঞ্চালকগৰাকীকো আজি সাক্ষাৎ কৰি ৰাজ্যৰ সাংবাদিকসকলৰ সমস্যা সমাধানৰ বিষয়টো আলোচনা কৰে।

### খ্ৰীষ্টজ্যোতি ইংলিছ মিডিয়াম স্কুলক পথ এৰি দিয়াৰ নামত ব্যক্তিগত মালিকানাৰ সম্পত্তিৰ ক্ষতিসাধন

# বজালীৰ হৰিপুৰত পথ নিৰ্মাণৰ নামত ভূমি দখল



**অসম ভূমি সেৱা, পাঠশালা ঃ** বজালী জিলাৰ অন্তৰ্গত হৰিপুৰ বিৰকলা গাঁৱত অৱস্থিত ব্যক্তিগত বিদ্যালয় খ্ৰীষ্টজ্যোতি ইংলিছ মিডিয়াম স্কুল সংযোগী এটি পথ নিৰ্মাণক কেন্দ্ৰ কৰি সৃষ্টি হৈছে এক বিতৰ্ক। উল্লেখ্য যে ৰহাধৰ বিৰকলা গাঁও নিবাসী অচ্যুত চৌধুৰী নামৰ ব্যক্তিগৰাকীয়ে অভিযোগ উত্থাপন কৰা অনুসৰি ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় খ্ৰীষ্টজ্যোতি ইংলিছ মিডিয়াম স্কুল সংযোগী এটি পথ নিৰ্মাণৰ নামত তেওঁলোকৰ পৰিয়ালটোলৈ কোনোধৰণৰ পূৰ্ব জাননী অবিহনে একাংশ ব্যক্তিয়ে তেওঁলোকৰ ব্যক্তিগত ভূমিত প্ৰৱেশ কৰি গছ-গছনি কটা, বেৰ ভঙাৰ লগতে মাটি খান্দি যথেষ্ট ক্ষতি কৰিছে। অভিযোগ অনুসৰি, বিদ্যালয়খনৰ স্বাৰ্থত বৰভালাৰ এচাম মধ্যভোগীয়ে ব্যক্তিগত ভূমি দখল কৰি পথ নিৰ্মাণৰ চেষ্টা চলায়। অভিযোগ অনুসৰি যোৱা ২ জুলাইৰ পুৱা পৰিয়ালটোৰ কোনো ব্যক্তি নথকাৰ সুযোগ লৈ প্ৰায় ১১.৩০ বজাত কেইবাজনো ব্যক্তিয়ে বলপূৰ্বকভাৱে ভূমিত প্ৰৱেশ কৰি জেচিবিৰ সহায়ত পথ নিৰ্মাণৰ কাম আৰম্ভ কৰে। ভুক্তভোগীয়ে অভিযোগ কৰা অনুসৰি কোনো চৰকাৰী জাননী, ভূমি অধিগ্ৰহণৰ আদেশ বা ক্ষতিপূৰণৰ ব্যৱস্থা নকৰাকৈ এই কাম চলোৱাৰ লগতে তেওঁৰ ভূমিত থকা ২০ৰো অধিক গছ-গছনি কাটি পেলোৱা হয়। ঘটনা সন্দৰ্ভত ইতিমধ্যে পৰিয়ালটোৱে পাটাছাৰকুছি আৰক্ষী থানাত এজাহাৰ দাখিল কৰা বুলি জানিব পৰাৰ লগতে গছ-গছনিসমূহ ধ্বংস কৰা সন্দৰ্ভত বজালী বন বিভাগকো নিৰপেক্ষ তদন্ত কৰি দোষীসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। আনহাতে ব্যক্তিগত সম্পত্তিৰ সুৰক্ষা নিশ্চিত কৰিবলৈ জিলা প্ৰশাসনৰ ওচৰত দাবী জনাইছে ভুক্তভোগী পৰিয়ালটোৱে।



## বকো কোচিং একাডেমীত এপিএছচি-এডিআৰ পৰীক্ষাৰ প্ৰশিক্ষণ

**অসম ভূমি সেৱা, বকো ঃ** কামৰূপ জিলাৰ বকোৰ দ'দানপুৰৰ (ডনবস্ক') সমীপত যোৱা দেওবাৰৰ পৰা আৰম্ভ কৰা হ'ল বকো কোচিং একাডেমীত মানৰ সম্পদ গঢ়া শিক্ষাদান। উল্লেখ্য যে বকোৰ উচ্চ শিক্ষিত যুৱক তথা অধ্যাপক ৰঞ্জন ৰাভাৰ একক প্ৰচেষ্টাত স্থাপন কৰা কোচিং একাডেমীখন এক আকস্মিক অগ্নিকাণ্ডত জ্বলি ভস্মীভূত হৈছিল আৰু কিছুদিন বন্ধ আছিল। সেয়ে কোচিং একাডেমীখন পুনৰ মুকলি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে ৰঞ্জন ৰাভাই। এইক্ষেত্ৰত বহুসংখ্যক বৃহত্তৰ অঞ্চলটোৰ বহু বৌদ্ধিক সামাজিক লোকৰ লগত আলাপ-আলোচনা কৰি কোচিং একাডেমীখন পুনৰ মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু শিক্ষাদান আৰম্ভ কৰে। এক মাংগলিক পৰম্পৰাৰে বকো কোচিং একাডেমীখন আৰম্ভ কৰে বকোৰ বিশিষ্ট শিক্ষাবিদ অৱসৰপ্ৰাপ্ত অধ্যক্ষ লক্ষ্মীকান্ত শৰ্মাই। শিক্ষা প্ৰতিষ্ঠানখনৰ সঞ্চালক ৰঞ্জন ৰাভাই আঁত ধৰা অনুষ্ঠানত কোচিং একাডেমীৰ আৱশ্যকীয়তাৰ ওপৰত আলোকপাত কৰে লক্ষ্মীকান্ত শৰ্মাই। অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী কুমুদ চন্দ্ৰ ৰাভা, খৰ্গধৰ ৰাভা, যুৱ শিক্ষিত ছাত্ৰ কৰ্মী, দিবাকৰ ৰাভাৰ উপৰি বহু প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। ইফালে বকো কোচিং একাডেমীত উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিকৰ পাঠদান চলি থকাৰ পিছত দেওবাৰৰ পৰা এপিএছচি আৰু এডিআৰইৰ পাঠ্যক্ৰমৰ প্ৰশিক্ষণ আৰম্ভ কৰা হৈছে বুলি জানিবলৈ দিয়ে সঞ্চালক ৰঞ্জন ৰাভাই।

### কামৰূপ মহানগৰ জিলা পথ সুৰক্ষা সমিতিৰ বৈঠক

# উৰণ সেতু নিৰীক্ষণৰ নিৰ্দেশ জিলা আয়ুক্তৰ

**গুৱাহাটী ঃ** কামৰূপ মহানগৰ জিলা আয়ুক্ত স্বপ্নীল পালৰ অধ্যক্ষতাত যোৱা ৪ জুলাইত জিলা পথ সুৰক্ষা সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত ৰাজা বৈশ্য, জিলা পথ সুৰক্ষা সমিতিৰ সদস্য সচিব অভিজিৎ চৌধুৰী, এডিচিপি ট্ৰেফিক-২ মৃন্ময় গোস্বামী, জিলা পৰিবহণ বিষয়া হিমাংশু কুমাৰ দাসকে ধৰি পথ সুৰক্ষা সমিতিৰ সৈতে জড়িত লোকনিৰ্মাণ, স্বাস্থ্য, আবকাৰী আদি বিভাগৰ সংশ্লিষ্ট বিষয়াৰ উপস্থিতিত বৈঠকখন অনুষ্ঠিত হয়। বৈঠকৰ আৰম্ভণীতে জিলা আয়ুক্তগৰাকীয়ে বিগত বৈঠকত গ্ৰহণ কৰা বিভিন্ন গুৰুত্বপূৰ্ণ কাম-কাজৰ খতিয়ান লয়। তদুপৰি নুনমাটি-দীঘলীপুখুৰী সংযোগী মহাৰজা পৃথু উৰণ সেতু সময়ে সময়ে নিৰীক্ষণ কৰাৰ লগতে বৰষুণৰ বতৰত কোনো যান-বাহন ব্যৱহাৰকাৰীৰে যাতে বিপদ নহয় তাৰ প্ৰতি তীক্ষ্ণ নজৰ ৰাখিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। তদুপৰি সময়ে সময়ে আন নতুন উৰণ সেতুসমূহো নিৰীক্ষণ কৰাৰ বাবে নিৰ্দেশনা প্ৰদান কৰে। বৰ্তমানো মহানগৰীৰ বিভিন্ন স্থানত থকা উন্মুক্ত মেনহ'লৰ সমস্যাসমূহ শীঘ্ৰে সমাধানৰ বাবে তেওঁ নিৰ্দেশ দিয়ে। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে পথ সুৰক্ষাৰ লগত জড়িত সকলো বিভাগকে অনাগত দিনত পথ দুৰ্ঘটনা ৰোধ আৰু দুৰ্ঘটনাত নিহতৰ সংখ্যা পাৰ্যমানে হ্ৰাস কৰাৰ ক্ষেত্ৰত নিজৰ নিজৰ বিভাগৰ দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰিবলৈ আহ্বান জনায়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পথছোৱাৰ সঠিক নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনা নিশ্চিত কৰি জনসাধাৰণৰ সুবিধা বজাই ৰখা, একাংশ পথ-খননকাৰী সংস্থাই গ্ৰহণ কৰা পথ পুনৰুদ্ধাৰ কাম-কাজ, গ্ৰীণ বাছসমূহক নিয়ন্ত্ৰণ, অনুজ্ঞাপত্ৰ নোহোৱা বাৰসমূহ বন্ধ কৰা সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। বৈঠকত কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়া হিমাংশু কুমাৰ দাসে মহানগৰ জিলাখনত সুশৃংখলিত আৰু সুৰক্ষিত যাতায়াত ব্যৱস্থা বাহাল ৰখাৰ স্বাৰ্থত সুৰাপায়ী চালকক নিয়ন্ত্ৰণ কৰাৰ লগতে পথ-সুৰক্ষাৰ লগত জড়িত বিভিন্ন দিশসমূহ টনকিয়াল কৰাৰ বাবে পৰিবহণ বিভাগে আগন্তুক দিনত বিভিন্ন কাৰ্যব্যৱস্থা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। এইক্ষেত্ৰত তেওঁ সকলো শ্ৰেণীৰ যানবাহন ব্যৱহাৰকাৰীক পথৰ নীতি-নিয়ম তথা যানবাহন আইন মানি চলিবলৈ আহ্বান জনায়। ইফালে, বৈঠকত পৰিবহণ বিভাগে গুৱাহাটীৰ বিভিন্ন অঞ্চলৰ ৰাষ্ট্ৰীয় পথত দুৰ্ঘটনাৰ আশংকা থকা স্থানসমূহ পাৱাৰ প্ৰেজেনটেশ্বন পদ্ধতিৰে প্ৰদৰ্শন কৰে।




# লখৰাত গ্ৰীষ্মকালীন সংগীত আৰু নৃত্যৰ কৰ্মশালা

**গুৱাহাটী ঃ** ফেৰেংগাদাওৰ উদ্যোগত আৰু উদয়ন কৃষ্টি সংঘৰ সহযোগত, উদয়ন কৃষ্টি সংঘৰ লখৰা চাৰিআলি কাৰ্যালয় প্ৰাংগণত অহা ১১ জুলাইৰ পৰা ২০ জুলাইলৈ জুবিন সংগীত, জ্যোতি সংগীত, বিষ্ণু ৰাভা সংগীত, পুৰণি আধুনিক গীত আৰু আধুনিক নৃত্যৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইয়াত সমল ব্যক্তি হিচাপে থাকিব ক্ৰমে জুবিন সংগীতত দিগন্ত ভাৰতী, পুৰণি আধুনিক গীতত চন্দামিতা ঠাকুৰীয়া, জ্যোতি সংগীত আৰু বিষ্ণু ৰাভা সংগীতত দীপক কুমাৰ দত্ত আৰু নৃত্যত লখিমী শৰ্মা। ২০ জুলাই পৰা ২২ জুলাইলৈ তিনিদিনীয়া বনফুল প্ৰকাশনৰ গ্ৰন্থমেলা অনুষ্ঠিত কৰা হ'ব। ২০ জুলাইৰ পুৱা ৯ বজাত পতাকা উত্তোলন কৰিব ফেৰেংগাদাওৰ সভাপতি বীৰেন চন্দ্ৰ দাসে। ৯.৩০ বজাত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবি আৰু হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব বিশিষ্ট সমাজসেৱক তথা উদয়ন কৃষ্টি সংঘৰ সভাপতি বিজয় বড়োৱে। ১০ বজাত গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰিব সংগীতা কলিতা, প্ৰধানাচাৰ্য শংকৰদেৱ শিশু নিকেতন বেতকুছি। অহা ২১ জুলাই পুৱা ১০.৩০ বজাত স্বৰচিত কবিতা আৰু গল্প পাঠৰ অনুষ্ঠান। অনুষ্ঠানটি সঞ্চালনা কৰিব গীৰেন গোপ, বিশিষ্ট প্ৰগতিশীল কবি। গ্ৰন্থমেলাৰ তিনিওটি দিনাই আবেলি ৫ বজাৰ পৰা শিশু তথা কিশোৰ-কিশোৰীসকলৰ মাজত চিত্ৰাংকণ, সাধুকোৱা, কবিতা আবৃত্তি, প্ৰশ্নোত্তৰ (কুইজ), সংগীত, আধুনিক নৃত্য আৰু একক অভিনয় প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। অহা ২২ জুলাইৰ আবেলি ৫ বজাত কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক একোখন কৈ প্ৰমাণপত্ৰ আৰু প্ৰতিযোগিতাসমূহত স্থান লাভ কৰাসকলক বঁটাৰ সৈতে একোখন কৈ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হ'ব। মুকলি সভা আৰু বঁটা প্ৰদান অনুষ্ঠানৰ অন্তত ৬.৩০ বজাত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰা হ'ব। উদ্বোধন কৰিব বিশিষ্ট সমাজসেৱক হেমন্ত কুমাৰ কলিতাই। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰাসকলে ফোন নম্বৰত ৯৮৬৪১ ৩৫৫০৯, ৯৮৫৯৪ ৫০৮৩৭, ৯৮৬৪৭ ৯৪৮২৫, ৭০০২৪ ৮৯৩৯০, ৭০০২৮ ৮৩১৭৭ যোগাযোগ কৰিব পাৰিব।


■ অসম ভূমি ■ ৮ জুলাই, ২০২৬ ■

সম্পাদকৰ মেজৰ পৰা...

# মাছ উৎপাদনত স্বনিৰ্ভৰতা

অসমৰ জনসংখ্যাৰ প্ৰায় ৯০ শতাংশই আমিষ আহাৰ গ্ৰহণ কৰে। আমিষভোজীসকলৰ অধিকাংশৰ বাবে মাছ এবিধ সুস্বাদু আহাৰ আৰু যথেষ্ট জনপ্ৰিয়। প্ৰাকৃতিকভাৱে বিল, খাল, নদী, জান আদিত উপলব্ধ মাছ ধৰি পৰিয়ালৰ মাছৰ প্ৰয়োজন পূৰণ কৰাটো এক পৰম্পৰা হিচাপে স্মৰণাতীত কালৰে পৰা চলি আহিছে। জনসংখ্যা বৃদ্ধিৰ ফলত মুকলি জলভাগৰ সংকোচন, ৰাজহুৱা বিল আদি মাছ উৎপাদনৰ উৎসবোৰৰ সংখ্যা হ্ৰাস, জলবায়ুৰ পৰিৱৰ্তন আদি নানা কাৰণত প্ৰয়োজন অনুযায়ী মাছৰ যোগান দিবলৈ প্ৰাকৃতিক উৎসবোৰ অসমৰ্থ হৈ পৰিল। সেয়ে ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা আমদানিৰ যোগেদি অসমৰ বজাৰত মাছৰ চাহিদা পূৰণ কৰিবলগা হৈছে। অসমত ১০,০০০ কিলোমিটাৰতকৈ অধিক দৈৰ্ঘ্যৰ নদী, উপনদী আৰু জান-জুৰি আছে। তাৰ উপৰি ৰাজ্যখনত ৮৫ হেজাৰ হেক্টৰতকৈ অধিক ঠাই সামৰি খাল, বিল, পুখুৰী আদি আছে। বোৱঁতী অথবা স্থিৰ, য'তেই জলভাগ উপলব্ধ, তাতেই মাছ প্ৰাকৃতিকভাৱে উৎপন্ন হয়। কিন্তু মানৱ জাতি সদায়ে সংযমহীন, প্ৰকৃতিৰ পৰা পোৱাখিনিকে লৈ মানুহৰ কেতিয়াও সন্তুষ্ট নহয়। মাছ আৰু অন্যান্য জলজ প্ৰাণীৰ ক্ষেত্ৰতো সেয়ে হ'ল। অধিক মাত্ৰাত মাছ ধৰাৰ ফলত প্ৰাকৃতিক উৎসবোৰত মাছৰ উৎপাদন কমি আহিল। সেয়েহে প্ৰাকৃতিক উৎসবোৰত স্বাভাৱিক বংশবৃদ্ধিৰ বাবে অপেক্ষা নকৰি কৃত্ৰিম প্ৰজনন পদ্ধতিৰে কম সময়তে ক্ষুদ্ৰ আয়তনৰ জলভাগত অধিক মাছ উৎপাদন কৰাৰ পদ্ধতি বিজ্ঞানীসকলে উদ্ভাৱন কৰিলে। লগে লগে নতুন নতুন বৰ্ণসংকৰ জাতৰ মাছৰো সৃষ্টি হ'ল। এনেদৰে মাছ উৎপাদনৰ ক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তন আহিল আৰু ই এক উদ্যোগত পৰিণত হ'ল মাছৰ পোনা উৎপাদন, সেইবোৰৰ লালন-পালন আৰু শ্ৰীবৃদ্ধিৰ বাবে উপযুক্ত প্ৰ'টিনযুক্ত আহাৰ যোগান অপৰিহাৰ্য বিষয়। মাছৰ উৎপাদন বৃদ্ধিৰ লগতে গুণগত মান উন্নত কৰাৰ বাবে উক্ত বিষয়বোৰৰ ওপৰত নজৰ দিয়া প্ৰয়োজন। অসম বৰ্তমান ভাৰতৰ চতুৰ্থ বৃহত্তম মাছ উৎপাদনকাৰী ৰাজ্য। অসমৰ ভিতৰত নগাঁও হৈছে সৰ্বোচ্চ মাছ উৎপাদনকাৰী জিলা। ৰাজ্যখনত বছৰি প্ৰায় ৫.২৫ লাখ মেট্ৰিক টন মাছৰ প্ৰয়োজন ৰাজ্য চৰকাৰৰ মীন বিভাগে বৈজ্ঞানিক পদ্ধতিৰে মীন পালনত গুৰুত্ব দিছে। ইয়াৰ বাবে একুৱা টেক পাৰ্ক মুকলি কৰিছে। অসমত সাধাৰণতে মে', জুন, জুলাই মাহত মাছে কণী পাৰে। এই সময়ছোৱাত কণী পৰা প্ৰাপ্তবয়স্ক মাছ ধৰাত চৰকাৰীভাৱে নিষেধাজ্ঞা আৰোপ কৰা হয়। অসমৰ জাগীৰোডত শুকান মাছৰ এখন বৃহৎ বজাৰ আছে। ৰাজ্যত অহা ২০২৬-২৭ বৰ্ষত মাছৰ উৎপাদন ৭ লাখ টন আৰু বছৰি প্ৰতিগৰাকী ব্যক্তিৰ মৎস্য ভক্ষণৰ পৰিমাণ ১৭ কিলোগ্ৰামলৈ উন্নীত কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

মীন খণ্ডৰ বিকাশৰ সৈতে আমাৰ ৰাজ্যৰ সামগ্ৰিক উন্নয়ন ওতপ্ৰোতভাৱে জড়িত হৈ আছে। কাৰণ অসমৰ এক বৃহৎসংখ্যক লোকৰ জীৱন-জীৱিকাৰ সৈতে মীন খণ্ড জড়িত হৈ আছে। চৰকাৰী তথ্য মতে অসমত ১ লাখ ২৫ হেজাৰতকৈ অধিক পূৰ্ণকালীন মাছমৰীয়া আছে। তাৰ উপৰি আছে ৫,৪০,০০০ অংশকালীন মৎস্যজীৱী। এটা কথা মনত ৰখা দৰকাৰ যে স্থানীয়ভাৱে উৎপাদিত মাছেৰে বজাৰৰ চাহিদা পূৰণ নহয়। বজাৰৰ চাহিদা আনুমানিক ৫.২৫ লাখ মেট্ৰিক টন। উৎপাদনৰ তুলনাত চাহিদা অধিক হোৱাত বছৰি প্ৰায় ২৫,০০০ মেট্ৰিক টন মাছ অন্ধ্ৰপ্ৰদেশ, পশ্চিমবংগ আদি ৰাজ্যৰ পৰা আমদানি কৰা হয়। আনহাতে বছৰি প্ৰায় ১১,০০০ মেট্ৰিক টন মাছ চুবুৰীয়া ৰাজ্যবোৰলৈ ৰপ্তানি কৰা হয়। অসমক মৎস্য উৎপাদনত স্বনিৰ্ভৰ ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰিবলৈ উৎপাদন বৃদ্ধিৰ বিকল্প নাই।





# ধৰ্মীয় জ্ঞান, নৈতিকতা আত্মসংযম-মানৱ সভ্যতাৰ ভৱিষ্যৎ

কে এ মান্নান

মানৱ সভ্যতাৰ ইতিহাস গভীৰভাৱে অধ্যয়ন কৰিলে এটা সত্য স্পষ্টভাৱে প্ৰতীয়মান হয়— মানুহৰ ভৌতিক উন্নতি, বৈজ্ঞানিক অগ্ৰগতি আৰু অৰ্থনৈতিক সমৃদ্ধি যিমানেই বৃদ্ধি নহওক কিয়, নৈতিকতা, আত্মসংযম, সত্যবাদিতা আৰু মানৱিক মূল্যবোধৰ অবক্ষয় ঘটিলে এখন সমাজৰ স্থায়ী উন্নতি কেতিয়াও সম্ভৱ নহয়। ইতিহাসৰ প্ৰতিটো যুগতে সভ্যতাসমূহৰ উত্থান আৰু পতনৰ আঁৰত কেৱল সামৰিক বা অৰ্থনৈতিক কাৰণেই নহয়, নৈতিক আৰু আধ্যাত্মিক কাৰণো গভীৰভাৱে জড়িত আছিল।

*দুৰ্ভাগ্যজনকভাৱে আধুনিক যুগত ধৰ্মৰ নাম বহুলভাৱে উচ্চাৰিত হ'লেও ধৰ্মৰ অন্তৰ্নিহিত নৈতিক শিক্ষা আৰু আধ্যাত্মিক মূল্যবোধৰ প্ৰতি বহু ক্ষেত্ৰত আন্তৰিক অনুশীলন হ্ৰাস পাইছে। মানুহে ধৰ্মীয় পৰিচয়ক অধিক গুৰুত্ব দিছে। ধৰ্মীয় চৰিত্ৰ গঠনৰ প্ৰতি আগ্ৰহ তুলনামূলকভাৱে কমি আহিছে। ফলস্বৰূপে সমাজত দুৰ্নীতি, ব্যভিচাৰ, নিচাসক্তি, হিংসা, লোভ, অসহিষ্ণুতা, মিছা অপবাদ, কুৎসা ৰটনা আৰু বিভিন্ন অসামাজিক কাৰ্যকলাপৰ বিস্তাৰ ঘটিছে। ধৰ্মীয় জ্ঞানৰ মূল উদ্দেশ্য হৈছে মানুহৰ ভিতৰত এক নৈতিক বিবেক জগাই তোলা। আইন মানুহক শাস্তিৰ ভয় দেখুৱাব পাৰে; কিন্তু ধৰ্মীয় আৰু নৈতিক চেতনা মানুহক নিজৰ অন্তৰাত্মাৰ আগত জবাবদিহি কৰিবলৈ শিকায়। এজন ব্যক্তিয়ে যেতিয়া উপলব্ধি কৰে যে তেওঁৰ প্ৰতিটো কৰ্মৰ নৈতিক মূল্য আছে আৰু সেই কৰ্মৰ প্ৰভাৱ কেৱল তেওঁৰ ওপৰতেই নহয়, সমগ্ৰ সমাজৰ ওপৰতো পৰে, তেতিয়া তেওঁ অধিক দায়িত্বশীল হৈ উঠে।*

বিশ্বৰ প্ৰায় সকলো মহান ধৰ্ম— হিন্দু ধৰ্ম, বৌদ্ধ ধৰ্ম, খ্ৰীষ্টান ধৰ্ম, শিখ ধৰ্ম, জৈন ধৰ্ম, ইছলাম, ইহুদী ধৰ্ম আৰু অন্যান্য আধ্যাত্মিক পৰম্পৰাই মানুহক একেই মৌলিক শিক্ষা প্ৰদান কৰে। এই শিক্ষাৰ কেন্দ্ৰবিন্দুত আছে আত্মশুদ্ধি, সত্য, ন্যায়, সততা, আত্মসংযম, সহমৰ্মিতা, ক্ষমাশীলতা, পৰোপকাৰিতা আৰু মানৱ কল্যাণ। ধৰ্মৰ ভাষা, আঞ্চলিক পৰম্পৰা আৰু আচাৰ-অনুষ্ঠান বেলেগ হ'ব পাৰে; কিন্তু ইয়াৰ নৈতিক বাৰ্তা একে-মানুহে মানুহক সন্মান কৰিব, অন্যায়ৰ পৰা আঁতৰি থাকিব আৰু নিজৰ জীৱনক কল্যাণমুখী কৰি তুলিব।

দুৰ্ভাগ্যজনকভাৱে আধুনিক যুগত ধৰ্মৰ নাম বহুলভাৱে উচ্চাৰিত হ'লেও ধৰ্মৰ অন্তৰ্নিহিত নৈতিক শিক্ষা আৰু আধ্যাত্মিক মূল্যবোধৰ প্ৰতি বহু ক্ষেত্ৰত আন্তৰিক অনুশীলন হ্ৰাস পাইছে। মানুহে ধৰ্মীয় পৰিচয়ক অধিক গুৰুত্ব দিছে। ধৰ্মীয় চৰিত্ৰ গঠনৰ প্ৰতি আগ্ৰহ তুলনামূলকভাৱে কমি আহিছে। ফলস্বৰূপে সমাজত দুৰ্নীতি, ব্যভিচাৰ, নিচাসক্তি, হিংসা, লোভ, অসহিষ্ণুতা, মিছা অপবাদ, কুৎসা ৰটনা আৰু বিভিন্ন অসামাজিক কাৰ্যকলাপৰ বিস্তাৰ ঘটিছে।

ধৰ্মীয় জ্ঞানৰ মূল উদ্দেশ্য হৈছে মানুহৰ ভিতৰত এক নৈতিক বিবেক জগাই তোলা। আইন মানুহক শাস্তিৰ ভয় দেখুৱাব পাৰে; কিন্তু ধৰ্মীয় আৰু নৈতিক চেতনা মানুহক নিজৰ অন্তৰাত্মাৰ আগত জবাবদিহি কৰিবলৈ শিকায়। এজন ব্যক্তিয়ে যেতিয়া উপলব্ধি কৰে যে তেওঁৰ প্ৰতিটো কৰ্মৰ নৈতিক মূল্য আছে আৰু সেই কৰ্মৰ প্ৰভাৱ কেৱল তেওঁৰ ওপৰতেই নহয়, সমগ্ৰ সমাজৰ ওপৰতো পৰে, তেতিয়া তেওঁ অধিক দায়িত্বশীল হৈ উঠে।

ইছলামত তাকওৱা বা আল্লাহভীতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। ইছলামৰ শিক্ষা অনুসৰি মানুহৰ সৰ্বশ্ৰেষ্ঠ অলংকাৰ হৈছে উত্তম চৰিত্ৰ। কোৰআন আৰু হাদীছত সত্যবাদিতা, ন্যায়পৰায়ণতা, সততা, আত্মসংযম আৰু মানৱসেৱাৰ ওপৰত অসংখ্য নিৰ্দেশনা আছে। খ্ৰীষ্টান ধৰ্মত যীচু খ্ৰীষ্টই প্ৰেম, ক্ষমা আৰু দয়াৰ শিক্ষা দিছে। 'তোমাৰ ওচৰ-চুবুৰীয়াক নিজৰ দৰে ভাল পোৱা' — এই নীতি খ্ৰীষ্টীয় নৈতিকতাৰ অন্যতম ভিত্তি। হিন্দু ধৰ্মত ধৰ্ম, কৰ্ম আৰু সত্যৰ ওপৰত গুৰুত্ব দিয়া হয়। উপনিষদ, গীতা আৰু অন্যান্য ধৰ্মগ্ৰন্থত আত্মসংযম, সত্য, অহিংসা আৰু নৈতিক জীৱনৰ শিক্ষা বিস্তৃতভাৱে বৰ্ণিত হৈছে। বৌদ্ধ ধৰ্মত লোভ, মোহ আৰু ক্ৰোধক মানৱ দুখৰ মূল কাৰণ বুলি কোৱা হৈছে আৰু মধ্যম পথ, কৰুণা আৰু সৎ আচৰণৰ শিক্ষা দিয়া হৈছে। শিখ ধৰ্মতো সততা, পৰিশ্ৰম, সমতা আৰু মানৱসেৱাক উচ্চ স্থান দিয়া হৈছে।

এই সকলো ধৰ্মীয় পৰম্পৰাৰ মাজত এটা গভীৰ মিল আছে-মানুহৰ অন্তৰাত্মাক শুদ্ধ কৰা আৰু সমাজক অধিক ন্যায়ভিত্তিক কৰি তোলা।

আজিৰ যুগত শৈশৱকালৰ নৈতিক শিক্ষাৰ গুৰুত্ব আগতকৈও অধিক বৃদ্ধি পাইছে। শিশুসকলৰ মানসিক গঠন প্ৰাথমিক পৰ্যায়তেই আৰম্ভ হয়। যদি তেওঁলোকক সৰুৰে পৰা সততা, দায়িত্ববোধ, শৃংখলা, বয়োজ্যেষ্ঠৰ প্ৰতি সন্মান, সত্যবাদিতা আৰু আত্মসংযমৰ শিক্ষা দিয়া হয়, তেন্তে সেই মূল্যবোধসমূহ জীৱনৰ কঠিন মুহূৰ্ততো তেওঁলোকৰ পথপ্ৰদৰ্শক হৈ থাকে। কিন্তু যদি শিশুৱে কেৱল প্ৰতিযোগিতা, ভোগবাদ আৰু ব্যক্তিগত লাভৰ শিক্ষাহে লাভ কৰে, তেন্তে সমাজৰ নৈতিক ভিত্তি দুৰ্বল হৈ পৰে।

বৰ্তমান সময়ত নিচাজাতীয় দ্ৰব্যৰ বিস্তাৰ এক বিশ্বব্যাপী সংকট। মাদক দ্ৰব্য, মদ্যপান, ধূমপান আৰু অন্যান্য আসক্তিয়ে লাখ লাখ

■ ১০ পৃষ্ঠাত


*দৰাচলতে আমাৰ মাতৃভূমি অসমখন প্ৰাকৃতিক বৈভৱ আৰু অপূৰ্ব সম্ভাৱনাৰে ভৰপূৰ এখন অনন্য ৰাজ্য। চিৰপ্ৰবাহমান লুইতৰ পলসুৱা বুকু, চৌপাশে থকা সেউজীয়া পাহাৰ-ভৈয়াম আৰু ঋতুৰ পৰিৱৰ্তনৰ লগে লগে সলনি হোৱা ইয়াৰ জলবায়ুৱে এই ভূখণ্ডক এক স্বৰ্গীয়ৰূপ প্ৰদান কৰিছে। ক'বলৈ গ'লে, প্ৰকৃতিয়ে অসমক দুহাতেৰে উপচাই দান কৰিছে সকলো সম্পদ। ইয়াত এটা বীজ সিঁচি দিলে অনায়াসে গজালি মেলি মহীৰূহ হয়। যত্ন নকৰিলেও প্ৰকৃতিৰ বুকুত খাদ্যৰ অভাৱ নহয়। সেইবাবেই অসমক 'শস্যে মৎস্যে বসুন্ধৰা' বুলি অভিহিত কৰা হয়। অসমত নাই কি? এসময়ত অসমৰ চহকী পৰিৱেশত মানুহে জীয়াই থাকিবলৈ প্ৰয়োজনীয় সকলো উপাদান স্বতঃস্ফূৰ্তভাৱে উপলব্ধ আছিল। অতীতৰ অসমীয়া সমাজখন আছিল সম্পূৰ্ণ স্বাৱলম্বী। বজাৰ-সমাৰৰ ধাৰণাটো তেতিয়াৰ গ্ৰাম্য জীৱনত অতি সীমিত আছিল।*


# অসমীয়া সমাজৰ বিপৰ্যয় আৰু উত্তৰণৰ পথ

**নলিনী ৰঞ্জন ভূঞা**

সকলো আছিল, সকলো আছে-
তথাপি কিয় আজি এই
পৰনিৰ্ভৰশীলতা?
চালত কোমোৰা
লাও, জিকা, ভোল
ভঁৰালত জহাধান,
গোহালিত গৰু
পুখুৰীত মাছ
বাৰীত তামোল পাণ।

কবি আনন্দ চন্দ্ৰ আগৰৱালাদেৱৰ দ্বাৰা ৰচিত 'আমাৰ গাঁও' শীৰ্ষক এটি কবিতাৰ এইটো এটা পংক্তি। এই কবিতাটিয়ে স্বাভাৱিকভাৱেই আমাক সোঁৱৰাই দিয়ে যে, এসময়ত প্ৰকৃতিৰ





অনাবিল সৌন্দৰ্য, পাৰস্পৰিক সদ্ভাৱ, সাংস্কৃতিকভাৱে চহকী ঐতিহ্য আৰু সহজ-সৰল জীৱনবোধেই আছিল অসমীয়া সমাজ আৰু গাঁৱৰ প্ৰকৃত প্ৰাণ আৰু সুখৰ মূল উৎস। কিন্তু বৰ্তমান সেই সুখ সেই আনন্দ ক'ত হেৰাল? এই সম্পৰ্কে আলোচনা-পৰ্যালোচনাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি।

দৰাচলতে আমাৰ মাতৃভূমি অসমখন প্ৰাকৃতিক বৈভৱ আৰু অপূৰ্ব সম্ভাৱনাৰে ভৰপূৰ এখন অনন্য ৰাজ্য। চিৰপ্ৰবাহমান লুইতৰ পলসুৱা বুকু, চৌপাশে থকা সেউজীয়া পাহাৰ-ভৈয়াম আৰু ঋতুৰ পৰিৱৰ্তনৰ লগে লগে সলনি হোৱা ইয়াৰ জলবায়ুৱে এই ভূখণ্ডক এক স্বৰ্গীয়ৰূপ প্ৰদান কৰিছে। ক'বলৈ গ'লে, প্ৰকৃতিয়ে অসমক দুহাতেৰে উপচাই দান কৰিছে সকলো সম্পদ। ইয়াত এটা বীজ সিঁচি দিলে অনায়াসে গজালি মেলি মহীৰূহ হয়। যত্ন নকৰিলেও প্ৰকৃতিৰ বুকুত খাদ্যৰ অভাৱ নহয়। সেইবাবেই অসমক 'শস্যে মৎস্যে বসুন্ধৰা' বুলি অভিহিত কৰা হয়। অসমত নাই কি? এসময়ত অসমৰ চহকী পৰিৱেশত মানুহে জীয়াই থাকিবলৈ প্ৰয়োজনীয় সকলো উপাদান স্বতঃস্ফূৰ্তভাৱে উপলব্ধ আছিল।

অতীতৰ অসমীয়া সমাজখন আছিল সম্পূৰ্ণ স্বাৱলম্বী। বজাৰ-সমাৰৰ ধাৰণাটো তেতিয়াৰ গ্ৰাম্য জীৱনত অতি সীমিত আছিল। গাঁৱৰ প্ৰতিঘৰ মানুহৰ বাৰীত তামোল-পাণ, লাও, কোমোৰা, জিকা, ভোলকে ধৰি নানা তৰহৰ শাকপাচলি আৰু ফল-মূলৰে উভৈনদী হৈ আছিল। ভঁৰালত আছিল সুগন্ধি জহা ধানৰ পৰা আৰম্ভ কৰি কোমল, বৰা, চকোৱা আৰু লাহি-শালি ধানৰ মেটমৰা ভাণ্ডাৰ। গোহালি শুৱনি কৰি ৰাখিছিল হালবোৱা বলধ আৰু খীৰতী গাই গৰুৰে। হাঁহ, ছাগলি, পাৰৰে ঘৰখন ভৰি আছিল। সহজ-সৰল গঞা ৰাইজে নিজৰ পৰিশ্ৰমেৰে পথাৰ আৰু বাৰীখন সেউজীয়া কৰি ৰাখিছিল। নিজৰ প্ৰয়োজন পূৰণ কৰাৰ পিছতো যি ৰৈ গৈছিল, সেয়া চুবুৰীয়াক বিলাই দি আনন্দ লাভ কৰিছিল। বিনিময় প্ৰথাৰ জৰিয়তে সমাজত এক অপূৰ্ব একতা আৰু ভাতৃত্ববোধ গঢ়ি উঠিছিল। আধ্যাত্মিকতা, চেনেহৰ মাত-কথা, উচ্চ সংস্কাৰ আৰু অতিথি পৰায়ণতা আছিল অসমীয়া গ্ৰাম্য সমাজৰ মূল আধাৰ। সুখ আৰু সমৃদ্ধিৰ এক অনাবিল পৰিৱেশ অসমৰ চুকে-কোণে বিৰাজ কৰিছিল।

কিন্তু সময়ৰ চক্ৰবেহু আৰু গোলকীকৰণৰ ধুমুহাত আজি সেই স্বাৱলম্বী অসমীয়া সমাজখন যেন ক'ৰবাত হেৰাই গ'ল। অতি দুখৰ বিষয় যে, আজিৰ অসমীয়া মানুহ ক্ৰমান্বয়ে এলেহুৱা আৰু কৰ্মবিমুখ হৈ পৰিছে। যি অসমীয়াই এসময়ত নিজৰ বাহুবলেৰে অৰণ্য ভাঙি পথাৰ সৃষ্টি কৰিছিল, সেই অসমীয়াই আজি পথাৰলৈ যাবলৈ টান পোৱা হ'ল। হালৰ মুঠিত ধৰিবলৈ আজিৰ যুৱ প্ৰজন্মই লাজ কৰে। ঘৰৰ গোহালিত গৰু পুহি গাখীৰ খোৱাৰ পৰিৱৰ্তে বজাৰৰ কৃত্ৰিম পেকেটৰ গাখীৰৰ ওপৰত নিৰ্ভৰশীলতা বৃদ্ধি পাইছে। কেৱল কৃষিকৰ্মই নহয়, অসমৰ গৌৰৱময় কুটিৰ শিল্পসমূহো আজি ধ্বংসৰ গৰাহত। এসময়ত মহিয়সী নাৰী মূলাগাভৰুৱে শত্ৰুৰ বিৰুদ্ধে যুঁজিবলৈ একে ৰাতিতে কাপোৰ বৈ উলিয়াইছিল। মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল— অসমীয়া মহিলাই তাঁতৰ শালত সপোন ৰচে; কিন্তু বৰ্তমান সময়ত ঘৰে ঘৰে থকা তাঁতৰ শালবোৰ নোহোৱা হ'ল। নতুন প্ৰজন্মৰ জীয়ৰী-বোৱাৰীয়ে তাঁতৰ শালত বহিবলৈ এৰি দিছে। কায়িক শ্ৰমৰ প্ৰতি এই অনীহা কেৱল গ্ৰাম্য অৰ্থনীতিতে সীমাবদ্ধ থকা নাই, ই সমগ্ৰ সমাজখনকে এক পংগুত্বৰ দিশলৈ ঠেলি দিছে। ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰতো থলুৱা লোকসকল পিছপৰি ৰৈছে, যাৰ ফলত বহিৰাগত শক্তিৰ হাতলৈ সমগ্ৰ অৰ্থনীতিৰ বাঘজৰী ডাল গুচি গৈছে। অসমীয়া সমাজৰ সেই প্ৰাণ আৰু প্ৰাচুৰ্য ক'ৰবাত হেৰাই গ'ল।

ইয়াৰ সমান্তৰালভাৱে, বৰ্তমান সময়ত অসমৰ থলুৱা অৰ্থনীতিৰ ওপৰত চলি থকা বহিৰাগত বেদখল আৰু ইয়াৰ অন্তৰ্নিহিত ভূ-ৰাজনীতি সঁচাকৈয়ে উদ্বেগজনক। 'শস্যে মৎস্যে বসুন্ধৰা' বুলি গৌৰৱ কৰা অসমৰ বজাৰখন আজি চুবুৰীয়া ৰাজ্যসমূহৰ দয়াৰ ওপৰত নিৰ্ভৰশীল। পুৱাৰ চাহ কাপৰ বাবে প্ৰয়োজন হোৱা পেকেটৰ গাখীৰৰ পৰা আৰম্ভ কৰি নিশাৰ সাজৰ বাবে প্ৰয়োজন হোৱা কণী, মাছ, মাংস আৰু আনকি সাধাৰণ শাক-পাচলিলৈকে সকলো বস্তুৱেই আজি বহিঃৰাজ্যৰ পৰা আমদানি কৰিবলগীয়া হৈছে অথবা একশ্ৰেণীৰ নিৰ্দিষ্ট লোকে উৎপাদন কৰি দিব লগা হৈছে। ই কেৱল এক অৰ্থনৈতিক নিৰ্ভৰশীলতা নহয়, ই আমাৰ ভূ-ৰাজনৈতিক দুৰ্বলতাৰো পৰিচায়ক। অসমৰ কোটি কোটি টকা দৈনিক বহিঃৰাজ্যলৈ ওলাই গৈছে, যাৰ ফলত ৰাজ্যখন কেৱল এটা 'উপভোক্তাৰ অৰ্থনীতি' বা গ্ৰাহকভিত্তিক সমাজলৈ ৰূপান্তৰিত হৈছে। উৎপাদনৰ বাঘজৰী নিজৰ হাতত নাথাকিলে এটা জাতিয়ে কেতিয়াও নিজৰ অস্তিত্ব আৰু স্বাভিমান সুৰক্ষিত কৰি ৰাখিব নোৱাৰে।

বৰ্তমান সময়ৰ অসমীয়া সমাজৰ আটাইতকৈ ডাঙৰ ব্যাধিটো হৈছে চৰকাৰী অনুদানৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতা। মাহেকৰ মূৰত পোৱা বিনামূলীয়া চাউলকেইটা আৰু চৰকাৰী আঁচনিৰ জৰিয়তে পোৱা ■ ১০ পৃষ্ঠাত







# মাষ্টৰ

**অজিত চন্দ্ৰ শৰ্মা**

আমি মাষ্টৰ
দৌৰন্তে দৌৰন্তে আমাৰ
দেহা পৰিল থৰবৰ।
ইটো কৰ, সিটো কৰ
য'ত ওলায় ন-এঅ'পি
ভালেখিনি মাষ্টৰে কৰ।
দিনে-ৰাতি বিষয়াৰ মেছেজ
পুৰালে লাগে উত্তৰ
উত্তৰ দেৰি হ'লে জগৰ।
কামৰ নাই শেষ
দিব লাগে পঢ়াৰ পৰিৱেশ,
পৃথিৱীৰ য'ত দোষ
মাষ্টৰ নামে নন্দঘোষ,
উত্তীৰ্ণৰ হাৰ কমিলে
গেলেনিৰ মালা গলে,
আজি মিটিং, কালি প্ৰশিক্ষণ
চাব লাগে, মধ্যাহ্ন ভোজন
দাইল, চবজি বিচাৰি
বজাৰ ঘূৰি হাবাথুৰি।
কতনা যে লটি-ঘটি
ডিউটী কৰি নাই উদগটি,
ঘৰত গ'লেও স্কুলৰ দায়িত্ব
দিব নোৱাৰো সময়
এইবোৰ দেখি ঘৈণীৰ খং
নুবুজা দেখি মোৰ ৰং,
আমি যে মাষ্টৰ
কেওফালে আমাৰ জগৰ।




# অৰণ্যৰ সীপাৰৰ ঘৰ

**বনজিৎ দাস**



কিমান গভীৰৰ পৰা গভীৰতালৈ গ'লে
অটব্য হাবিত সোমাব পাৰিম,
য'ত বিষাদৰ নৈসৰ্গিক বাট
শুকান পাতৰ দৰে সৰি পৰে নীৰৱে
দুপৰ নিশাৰ বুকুত পখীটি বিনাই।
য'ত স্মৃতিৰ ছাই বনত
বতাহে গোপনে গীত গায়
বুকুৰ নিভৃত কোণত
অশ্ৰুৱে নিজাকৈ ঘৰ সাজে।
কিমান গভীৰৰ পৰা গভীৰতালৈ গ'লে
অটব্য হাবিত সোমাব পাৰিম,
মানচিত্ৰহীন শব্দহীন
মাথোঁ নীৰৱতাৰ দীঘল উশাহ
য'ত হেৰাই যায় দুখৰ ঠিকনাবোৰ
সময়ে আঁকি যায়
নীৰৱতাৰ আঁৰত অদেখা ইতিহাস।
কিমান নীৰৱতা সাবটি ল'লে
গভীৰতাৰ পৰা গভীৰতালৈ গ'লে
দুখবোৰে নিজকে চিনিব নোৱাৰে
দুপৰ নিশাৰ বুকুত পখীটি বিনাই
চকুৰ কোণত জমা হোৱা অশ্ৰুৰ ভাষা
তথাপি বুকুৰ গোপন কোণত
শব্দত জীয়াই থাকে
জীৱনৰ আশা
গভীৰৰ পৰা গভীৰতালৈ
অৰণ্যৰ ভিতৰলৈ!
এখন পৃথিৱী!



# নৈপৰীয়া কবিতা

**সঞ্জীৱ গগৈ**

কোনো এক মৌন সন্ধিয়া,
নৈখনৰ নিৰ্জন তীৰভূমিত বহি
মই মেলি লৈছিলো ডায়েৰীখনৰ শুভ্ৰ নিস্তব্ধতা।

মনৰ গভীৰতাত সাঁচি ৰখা অনুভৱবোৰ
লিপিবদ্ধ কৰিব পৰাকৈ এটা শব্দ বিচাৰি থাকোতেই,
অকস্মাতে এটি পোহৰ কণা উৰি আহি
পৃষ্ঠাখনত এছাটি জোনাক সিঁচি গ'ল।

নৈখনৰ পানীৰ বুকুত তেতিয়া
সন্ধিয়াই নিজৰ মুখখন চাই আছিল,
আৰু ঢৌবোৰে কোনো অজান দেশৰ কথা কৈ কৈ
বৈ গৈছিল দিগন্তৰ অস্পষ্ট সীমনালৈ...।

মই লিখিব খুজিছিলো
বিষাদৰ কথা,
হৃদয়ৰ দুৰ্গম কক্ষত আবদ্ধ
অব্যক্ত বেদনাৰ কথা।

কিন্তু নৈখনে ক'লে—
'দুখ যদি সাঁচি ৰাখা,
সেয়া বুকুত শেল হৈ ৰ'ব;
পাৰা যদি বৈ যাবলৈ শিকা,
তেতিয়া বেদনাও গান হৈ ব'ব।'

মই লিখিব খুজিছিলো
ভালপোৱাৰ কথা,

নৈখনে হাঁহি মাৰি ক'লে—
'ভালপোৱা যদি সঁচা হয়,
সেই ভালপোৱাই সোঁতৰ দৰেই বাট বিচাৰি লয়।'

শেষত কবিতাটো সম্পূৰ্ণ নহ'ল,
কাৰণ কিছুমান অনুভৱ
শব্দৰে বান্ধিব নোৱাৰি।

নৈখনে অৱশ্যে
নিজৰ গীত গাই গাই বৈয়ে থাকিল,
সেই একেই মুক্ত, উদাসী আৰু উচ্ছল স্বভাৱেৰে।


সিদিয়া মোৰ আধৰুৱা শব্দবোৰো
নৈখনৰ সোঁতৰ স'তেই উটি গ'ল সাগৰৰ সন্ধানত...।

ডায়েৰীখনৰ উকা পৃষ্ঠাত
মাত্ৰ এছাটি জোনাক ৰৈ গ'ল,
আৰু সেই অলিখিত কবিতাটি
নৈখনৰ কলকল ধ্বনিত
চিৰদিনৰ বাবে বাহ সাজি ৰ'ল।

# COMRADES NEVER DIE

**পৰাগজ্যোতি দাস**

সেই উকা দেৱালত তুমি ৰং সানিছিলা!
পিছে তুমিতো ৰজাঘৰীয়া চকুৰ তৰা নহয়
তুমি আছিলা মৰুভূমিৰ বুকুত
এমুঠি পোহৰ বিলোৱা এটি তৰা।
চেৰেপা কলিজাৰ ভয়াতুৰবোৰে নাজানে
সৃষ্টিৰ ভগ্নাৱশেষ বুটলি
কেনেকৈ সাজিব পাৰি আৰেগৰ এটি তাজমহল।
এখন ছবি আঁতৰালেই জানো সকলো শেষ হৈ যায়?
কাৰ সাহস আছে মচি দিব সেই নাম,
যি নাম খোদিত হৈ আছে
অসমীয়াৰ হিয়াৰ দেৱালে দেৱালে?
তুমি ৰজা—
পিছে কোনো সিংহাসনৰ নহয়;
তুমি মানুহৰ হৃদয়ত শাসন কৰা এজন একক সম্ৰাট।



আজি লুইতৰ পাৰে পাৰে,
বতাহে বতাহে, প্ৰতিধ্বনিত হৈছে এটাই শ্লʼগান
'Comrades never die'
কথা ক'বলৈ বুকুত লাগে বাঘৰ বল;
তুমি হ'লা সেই সাহসৰ আন এটা নাম,
তুমি হ'লা সেই প্ৰতিবাদৰ আন এটা নাম,
তুমি হ'লা সেই বিপ্লৱৰ আন এটা নাম।
য'ত অন্যায়-তাতেই তোমাৰ কণ্ঠৰ গৰ্জন;
য'ত শোষণ-তাতেই তোমাৰ সুৰৰ স্পন্দন।
তুমি ভাঙিলা মৌনতাৰ সকলো কাৰাগাৰ,
এৰি থৈ গ'লা মুক্ত আকাশৰ দুৱাৰ,
নতুন পোহৰৰ জোৱাৰ।
তোমাৰ কণ্ঠত জাগিছিল নিদ্ৰামগ্ন সময়ৰ বিবেক,
তোমাৰ সুৰত সাৰ পাইছিল অসংখ্য নীৰৱ স্বপ্ন।
মৃত্যুৱে নোৱাৰে মচিব তোমাৰ তেজস্বী খোজ;
তোমাৰ সৃষ্টিৰ মাজত জীয়াই থাকিব হাজাৰ সপোন,
হাজাৰ প্ৰতিজ্ঞা, হাজাৰ বিদ্ৰোহী হৃদস্পন্দন।
মিছা যুদ্ধৰ অহংকাৰ এদিন ধোঁৱা হৈ উৰি যাব,
ক্ষমতাৰ উন্মাদনাও এদিন হেৰাই যাব
ইতিহাসৰ ধূলিত...
কিন্তু-
কমৰেড জুবিন বৈ যাব...
যিমান দিন লুইত বৈ থাকিব,
যিমান দিন অসমীয়াৰ হৃদয়ত প্ৰেম, প্ৰতিবাদ
আৰু স্বপ্ন থাকিব জীয়াই
সিমান দিন!
সিমান দিন বতাহে কঢ়িয়াই নিব এটাই নাম
'জুবিন গাৰ্গ...'

# নিচামুক্ত ভাৰত অভিযান

নাছিৰ আহমেদ

সামাজিক ন্যায়বিচাৰ আৰু ক্ষমতায়ন মন্ত্ৰকৰ অধীনস্থ সামাজিক ন্যায় আৰু ক্ষমতায়ন বিভাগ, ভাৰত চৰকাৰে নতুন দিল্লীত অনুষ্ঠিত এখন জৰুৰী সভাৰ প্ৰস্তাৱ অনুসৰি সমাজৰ পৰা মাদক দ্ৰব্য আৰু পদাৰ্থৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ ২০২০ চনৰ ১৫ আগষ্টৰ পৰা দেশব্যাপি নিচামুক্ত ভাৰত অভিযানৰ (NMBA) আৰম্ভ কৰে। ই এটি সমন্বিত আন্দোলন, যিয়ে মাদক দ্ৰব্যৰ ক্ষতিকাৰক প্ৰভাৱ সম্পৰ্কে সচেতনতা প্ৰস্তুত কৰে আৰু আসক্ত ব্যক্তিসকলৰ পুনৰ্বাসনত সহায়ৰ হাত আগবঢ়ায়।

**অভিযানৰ মূল লক্ষ্য আৰু কাৰ্যাৱলী ঃ**

সচেতনতা বৃদ্ধি ঃ উচ্চশিক্ষা প্ৰতিষ্ঠান, যেনে- মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু বিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলৰ মাজত মাদকৰ কুফল সম্পৰ্কে ব্যাপক সচেতনতা প্ৰচাৰ।



যুৱ আৰু নাৰী অংশগ্ৰহণ ঃ সমাজক মাদকমুক্ত কৰিবলৈ তৰুণ প্ৰজন্ম আৰু মহিলাসকলক এই অভিযানৰ সৈতে প্ৰত্যক্ষ ভাৱে যুক্ত কৰা।

চিকিৎসা আৰু পুনৰ্বাসন ঃ মাদকাসক্তসকলক চিহ্নিত কৰি তেওঁলোকক পুনৰ্বাসনৰ ব্যৱস্থা কৰা।

প্ৰসাৰ ঃ প্ৰাথমিক পৰ্যায়ত দেশৰ সৰ্বাধিক সতৰ্কবাণী সংকেত থকা ২৭২ খন জিলাত এই প্ৰকল্প আৰম্ভ হ'লেও পৰৱৰ্তী ইয়াক ভাৰতৰ সমস্ত জিলাত সম্প্ৰসাৰণ কৰা হৈছে।

'নিচামুক্ত ভাৰত অভিযান'ৰ অধীনত সামাজিক ন্যায় আৰু ক্ষমতায়ন মন্ত্ৰকৰ অধীনস্থ সামাজিক ন্যায় আৰু ক্ষমতায়ন বিভাগ, ভাৰত চৰকাৰে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে (UNGA) ১৯৮৭ চনৰ ৭ ডিচেম্বৰত লোৱা সিদ্ধান্তমৰ্মে পৃথিবীৰ সকলো দেশে প্ৰতি বছৰে ২৬ জুনত উদ্‌যাপন কৰি অহা আন্তৰ্জাতিক মাদকবিৰোধী দিৱসৰ (মাদক দ্ৰব্য অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী) (International Day Against Drug and Illicit Trafficking) লগত সংগতি ৰাখি দেশব্যাপি সচেতনতা কাৰ্যক্ৰমৰ বিভিন্ন আঁচনি ৰূপায়ণ কৰিবলৈ ২০২৫ চনৰ ২৬ জুনত এটি বিশেষ অনুষ্ঠান আয়োজন কৰে। এই অনুষ্ঠানটি অনুষ্ঠিত হয় ড° আম্বেদকাৰ আন্তৰ্জাতিক কেন্দ্ৰ, নতুন দিল্লীত। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত আছিল কেন্দ্ৰীয় সামাজিক ন্যায় আৰু ক্ষমতায়ন মন্ত্ৰকৰ কেন্দ্ৰীয় প্ৰতিমন্ত্ৰী বি এল বাৰ্মা আৰু বিভাগীয় উৰ্ধতন বিষয়াসকল।

ইতিমধ্যে নিচামুক্ত ভাৰত এপ্লিকেচন প্ৰস্তুত কৰা হৈছে, যাৰ মাধ্যমত জিলা, ৰাজ্য আৰু জাতীয় স্তৰত ৰিয়েল-টাইম তথ্য উপস্থাপন সম্ভৱ হৈছে। একে লগে ৱেবছাইটত আছে বিস্তাৰিত তথ্য, অনলাইন আলোচনা ফৰাম, ড্যাছবোৰ্ড আৰু ই-প্লেজ ফিচাৰ। 'ড্ৰাগ ফ্ৰি' থকাৰ প্ৰতিশ্ৰুতি লৈছে ১.৬৭ কোটিৰ বেছি শিক্ষাৰ্থী, যিবিলাকে ৯৯,৫৯৫ টি শিক্ষাপ্ৰতিষ্ঠানৰ পৰা শপত গ্ৰহণত অংশগ্ৰহণ কৰিছিল। নিয়মিত আয়োজিত হৈছে নানা কাৰ্যক্ৰম- যেনে 'নশে সে আজাদী' নয়া ভাৰত, নিচামুক্ত ভাৰত আৰু এন এম বিএ- এনসিসি ইন্টাৰ একচেন।

ভাৰত চৰকাৰ, সামাজিক আৰু আধ্যাত্মিক সংগঠন যেনে দ্য আৰ্ট ফৰ লিভিং, ব্ৰহ্মা কুমাৰী, ইছকন, ৰামচন্দ্ৰ মিছন আৰু অল ওৱাৰ্ল্ড গায়ত্ৰী পৰিয়ালৰ লগত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত কৰে, যাতে এই অনুষ্ঠানবোৰে গণচেতনতা কাৰ্যক্ৰমত সহায়তা প্ৰদান কৰিব পাৰে। ইয়াৰ উপৰি দেশৰ সমস্ত ডি-এডিকচন চেন্টাৰক জিঅ'টেগ কৰি সাধাৰণ জনগণৰ লগত যোগাযোগৰ ব্যৱস্থা সহজলভ্য কৰা হৈছে।

আন্তৰ্জাতিক মাদক দ্ৰব্য বিৰোধী দিৱস (International Day Against Drug and Illicit Trafficking) উপলক্ষে কেন্দ্ৰীয় চৰকাৰৰ সামাজিক ন্যায় আৰু ক্ষমতায়ন বিভাগৰ (Social Justice and Empowerment) কেন্দ্ৰীয় মন্ত্ৰী ড° বীৰেন্দ্ৰ কুমাৰৰ তত্ত্বাৱধানত ২০২৬ চনৰ ১৭ জুনৰ পৰা মাদক দ্ৰব্যৰ বৰবিহৰ সৰ্বনাশী গ্ৰাসৰ পৰা দেশৰ কোটি কোটি জনতাক মুক্ত কৰাৰ বাবে আৰু ইয়াৰ অপব্যৱহাৰৰ সম্পৰ্কে লগতে অবৈধ সৰবৰাহ বিৰোধী অভিযান সফল কৰিবলৈ 'নিচামুক্ত ভাৰত সপ্তাহ' নিচামুক্ত ভাৰত অভিযানৰ অধীনত 'নিচামুক্ত ভাৰত অভিযান,বিকশিত ভাৰত কি পেহচান' এই প্ৰতিপাদ্যৰ আধাৰত গোৱা ৰাজ্যৰ পাঞ্জিমত শুভাৰম্ভ কৰে।

গোৱাত নিচামুক্ত ভাৰত অভিযানৰ (NMBA) মূল লক্ষ্য হ'ল, মাদকমুক্ত সমাজ গঢ়ি তোলা। এই অভিযানৰ অধীনত সচেতনতা বৃদ্ধি, শিক্ষাপ্ৰতিষ্ঠানত প্ৰচাৰ আৰু পুনৰ্বাসন কেন্দ্ৰ পৰিচালনাৰ দৰে নানা কৰ্মসূচী লোৱা হৈছে। এই সংক্ৰান্তৰ সমস্ত গুৰুত্বপূৰ্ণ নিৰ্দেশিকা আৰু ৰিপ'ৰ্ট তলত উল্লেখ কৰা হ'ল ঃ—

গোৱা জইনছ ন্যাশনাল মিছন (Goa Joins National Mission) ঃ গোৱাত এই অভিযানৰ ৰূপৰেখা, উদ্বোধনী অনুষ্ঠান আৰু স্থানীয় কৰ্মসূচীৰ বিস্তৃত বিৱৰণ দিয়া আছে।


সচেতনতা কৰ্মসূচী (Awareness Programme Saptah) ঃ মাদক দ্ৰব্য বিৰোধী আৰু অবৈধ সৰবৰাহ বিৰোধী সপ্তাহৰ জৰিয়তে মূলতঃ উচ্চ শিক্ষানুস্থান, যেনেঃ বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়ৰ কেম্পাছ আৰু সম্প্ৰদায়ভিত্তিক স্থানীয় জনগণৰ মাজত ইয়াৰ অপকাৰিতাৰ আৰু কু-প্ৰভাৱৰ বিষয়ে কাৰ্যক্ৰম পৰিচালনা কৰা হৈছে।

জাতীয় একচন প্লেন (National Action Plan) ঃ সামাজিক ন্যায়বিচাৰ আৰু ক্ষমতায়ন মন্ত্ৰকৰ অধীনত গোটেই দেশজুৰি মাদক দ্ৰব্যৰ চাহিদা হ্ৰাস আৰু প্ৰচাৰৰ বাবে প্ৰণীত মূল ৰূপৰেখা।

কেন্দ্ৰীয় নিৰ্দেশিকা প্ৰট'কল (Central Implementation Protocol) ঃ ৰাজ্যভিত্তিক বাস্তৱায়ন প্ৰক্ৰিয়া, এন এম বিএ-ড্যাছবোৰ্ড আৰু লক্ষ্যমাত্ৰা সংক্ৰান্ত তথ্য।

মুঠতে, গোৱা ৰাজ্যিক চৰকাৰৰ সহযোগিতাত কেন্দ্ৰীয় সামাজিক ন্যায় আৰু ক্ষমতায়ন মন্ত্ৰকৰ তত্ত্বাৱধানত নিচামুক্ত ভাৰত গঢ়ি তোলাৰ লক্ষ্যৰে ১৭ জুনৰ পৰা সপ্তাহজোৰা জনগণৰ মাজত বিভিন্ন কাৰ্যসূচী যেনে— জন জাগৰণ, সমদল যাত্ৰা, চিনেমা প্ৰদৰ্শনী, বেনাৰ, পোষ্টাৰ, পুস্তিকা, বিভিন্ন প্ৰচাৰ কাৰ্যক্ৰম আৰু বিশেষকৈ শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰাচীৰ পত্ৰিকা, কুইজ প্ৰতিযোগিতা, তৰ্ক প্ৰতিযোগিতা, কবিতা, গল্প, প্ৰবন্ধ লিখা প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হৈছে।

থুলমূলভাৱে 'নিচামুক্ত ভাৰত অভিযান'ৰ বিষয়ে আলোকপাত কৰা হ'ল। ■




জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ সজ প্ৰচেষ্টাৰ সাৰ্থক ফল

# মই নথকাৰ অনুভৱ

পংকজ বেজবৰুৱা

'মই নথকাৰ অনুভৱ' নামৰ কবিতা পুথি এখন কিছুদিন পূৰ্বে নলবাৰী জিলাৰ টিহু চক্ৰৰ নমাটিত উন্মোচন কৰি পটুৱৈ ৰাইজলৈ আগবঢ়োৱা হৈছে। সাহিত্যানুৰাগী আৰু সাংস্কৃতিক মনৰ অধিকাৰী নমাটি গাঁৱৰ অৰ্চনা ঠাকুৰীয়াই অসমৰ বিভিন্ন প্ৰান্তত থকা বিশ্বশিল্পী জুবিন গাৰ্গৰ গুণগ্ৰাহীসকলৰ একাংশৰ কবিতা থুপাই এই পুথিখন সংকলন কৰিছে। প্ৰতিগৰাকী কবিয়ে কবিতাৰ জৰিয়তে বিশ্বশিল্পীগৰাকীলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছে। সংকলনখনলৈ কবিতা আগবঢ়াইছে ক্ৰমে আদ্যৰাণী মজুমদাৰ, অৰ্চনা ঠাকুৰীয়া, স্মৃতিৰেখা সোণোৱাল, কৰবী বৰ্মন, যমুনা ডেকা, কনকলতা কলিতা, জয়শ্ৰী চৌধুৰী, গৰিমা হাঁলৈ মজুমদাৰ, ৰজত মজুমদাৰ, ড° কমলা ডেকা, মাণিক বৰ্মন, নৰ্মদা ঠাকুৰীয়া, ৰিংকুমণি কাকতি, অঞ্জনা বৰ্মন, মীনা তালুকদাৰ, দিগন্ত বৰ্মন, মীৰা ভৰালী, লতিকা মজুমদাৰ, প্ৰাঞ্জনা দত্ত, মীৰা ভৰালী, ৰুণুমী দেৱী গোস্বামী, গৌৰীকান্ত কলিতা, দীনেশ কলিতা, কণিকা শৰ্মা, হীৰামণি হাঁলৈ, বৰ্ণিল বিতান কাশ্যপ, স্বৰ্ণলতা বৰ্মন, যামিনী ভট্টাচাৰ্য, অভিজিৎ ঠাকুৰীয়া, ধৃতিৰাজ ঠাকুৰীয়া আৰু মামণি কলিতাই। ন-পুৰণি কবিৰ কবিতাৰ সমাহাৰেৰে পুথিখন পঠনীয় হৈছে। নমাটি সাহিত্য সংস্কৃতি সমিতিয়ে প্ৰকাশ কৰা আৰু আকৰ্ষণীয় বেটুপাতেৰে সুন্দৰভাৱে ছপা কৰা প্ৰতিটো কবিতাত কেৱল প্ৰাণৰ শিল্পী জুবিন, জুবিন বন্দনা স্পষ্ট হৈছে। নিজৰ অমৰ সৃষ্টিৰে কবিসকলে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাটো অতি আদৰণীয়। এনে সাহিত্য চৰ্চাই লেখকৰ হিয়াত লিখাৰ সাহ যোগায়। সংকলনটোৰ সম্পাদক অৰ্চনা ঠাকুৰীয়াই 'সম্পাদকৰ অনুভৱ'ত কৈছে— নামঘোষাত এষাৰ কথা আছে, 'তোমাক মই ভাঙো, তুমি মোক ভাঙা, চৈধ্য সাক্ষীক ভাঙিব কোনো, উপায় দস্যুক দমন শাস্তক পালন তেৱেঁ কৰিব।' বিশ্বব্ৰহ্মাণ্ডৰ যত বস্তু আছে সমস্ত তেওঁৰে। পক্ষাৰ পাখি গজে উৰিবলৈ নহয়, মৰিবলৈ। পোহৰ পাই উৰে, চগা হৈ মৰে। এইবিলাক ডাকৰ বচন। আকৌ শাস্ত্ৰত এষাৰ কথা আছে— সাধুতাই উত্তম পথ পায়। মেঘাচ্ছন্ন বতৰ বেয়া নহয়, দুৰ্দিন নহয়। যিদিনা ভগৱানৰ স্মৰণ কৰিবলৈ পাহৰি যাব সেই দিনটোহে দুৰ্দিন। মহান শিল্পীগৰাকীক হেৰুৱাই আমি বৰ মৰ্মাহত হৈছো। মোৰো এটা আশা আছিল শিল্পীগৰাকীক ওচৰৰ পৰা লগ পাবলৈ। ভগৱানে আশাটো পূৰ হ'বলৈ নিদিলে। জুবিনদা অমৰ হওক। তেওঁক সময়ৰ আকাশে নাপাহৰক, সময়ৰ তৰাই নাপাহৰক আৰু নাপাহৰক শ্ৰোতাই। হয়, পুথিখনৰ সম্পাদকে অনুভৱ কৰাৰ দৰে বিশ্বশিল্পীগৰাকীৰ বিষয়ে অগণিত লোকেও তেনেদৰে ভাবে।

ভ্ৰাম্যমাণ থিয়েটাৰৰ খুব জনপ্ৰিয় অভিনেত্ৰী প্ৰাঞ্জনা দত্তই পুথিখনলৈ দিয়া শুভেচ্ছা বাৰ্তাত কৈছে— জুবিন গাৰ্গ কেৱল শিল্পীয়ে নাছিল। সমাজৰ আৰ্তনাদৰ ওচৰত থিয় দিয়া ব্যক্তিজনেই আছিল জুবিন গাৰ্গ। সাধাৰণ মানুহৰ মাজত থাকি ভালপোৱা অসাধাৰণ ব্যক্তি আছিল জুবিন গাৰ্গ। ভাগৰুৱা এটা প্ৰজন্মৰ বাবে আশ্ৰয় আছিল জুবিন গাৰ্গ। মৰিশালিৰ মাজতো জীয়াই থকাৰ প্ৰেৰণা আছিল জুবিন গাৰ্গ। মৰম, ভালপোৱা, প্ৰেমৰ নাম আছিল জুবিন গাৰ্গ।

নলবাৰী জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ড° কমলা ডেকাই শুভেচ্ছা বাৰ্তাত কোৱা মূল কথা হৈছে— জুবিন গাৰ্গ এটি নাম নহয়, জুবিন গাৰ্গ এটি সত্তা নহয়, জুবিন গাৰ্গ এটি জাতীয় অনুষ্ঠান। জুবিন গাৰ্গৰ সিৰাই সিৰাই প্ৰবাহিত হৈ আছে জাতীয় চেতনাবোধ, স্বদেশপ্ৰেম আৰু অসমী আইৰ জয়গান। তেওঁৰ যাদুকৰী কণ্ঠত নিগৰিত হয় বিভিন্ন ভাষাত, বিভিন্ন সুৰত হাজাৰ হাজাৰ গীত। জুবিন গাৰ্গৰ গীতত সকলো ■ ১১ পৃষ্ঠাত

# ৰহস্যভেদী নিখিলেশ



মুনমী ভট্টাচাৰ্য

নিশা প্ৰায় ১০ বাজিছে। বাহিৰত এজাক পাতল বৰষুণৰ টোপাল টোপ টোপকৈ খিৰিকীৰ কাচত পৰিছে। গুৱাহাটী চহৰৰ এক নিৰ্জন অট্টালিকাৰ নিজৰ অধ্যয়ন কোঠাত বহি নিখিলেশে কিতাপ এখন হাতত লৈছিল। কিন্তু মনটো তাৰ কিতাপৰ পৃষ্ঠাত নাছিল। সি এজন প্ৰাইভেট ডিটেকটিভ। অতি প্ৰখৰ বুদ্ধি, শান্ত স্বভাৱ আৰু অপৰাধীৰ মনস্তত্ত্ব বুজি পোৱা এক তীক্ষ্ণধী পুৰুষ হিচাপে চহৰখনত তাৰ এক সুকীয়া পৰিচয় আছে। আজিলৈকে তাৰ চকুৰ পৰা কোনো অপৰাধী সাৰি যাব পৰা নাই।

এনেতে কোঠাটোৰ কাঠৰ দুৱাৰখনত মৃদু টোকৰ পৰিল। তাৰ পুৰণি আৰু আটাইতকৈ বিশ্বাসী সহায়ক ৰামুকাকাই দুহাতত ধোঁৱা ওলাই থকা ব্লেক কফিৰ কাপটো লৈ সোমাই আহিল। ৰামুকাকাই সৰুৰে পৰা নিখিলেশক ডাঙৰ-দীঘল কৰিছে। বৰ্তমান তেওঁ কেৱল এজন সহায়কেই নহয়, বৰঞ্চ এজন ককায়েক বা অভিভাৱকৰ দৰে নিখিলেশক সকলো বিপদৰ পৰা আৱৰি ৰাখে। নিখিলেশৰ প্ৰতিটো সৰু-বৰ বিপজ্জনক অভিযানৰ তেওঁ এক নীৰৱ সংগী।

ঃ বাবা, এই গৰম কফিকাপ খাই লোৱা। বতৰটোৱে আজি অলপ ঠাণ্ডা পেলাইছে।— ৰামুকাকাই কফিৰ কাপটো টেবুলত থৈ ক'লে।

আৰু এটা কথা বাহিৰত এজন ভদ্ৰলোকে তোমাক লগ কৰিবলৈ ৰৈ আছে। বৰ ব্যাকুল হৈ পৰিছে মানুহজন। মুখখন দেখিলে অনুভৱ হয় তেওঁ যেন এক গভীৰ বিপদত পৰিছে।

নিখিলেশে ঘড়ীটোলৈ চাই দেখিলে ১০.১৫ বাজিছে। সি কফিৰ কাপটো হাতত লৈ অলপ চিন্তিত সুৰত ক'লে— 'এই গভীৰ ৰাতি! বাৰু ঠিক আছে, তেওঁক ভিতৰলৈ পঠিয়াই দিয়া ৰামুকাকা।'

ভিতৰলৈ যিজন আদহীয়া ব্যক্তি সোমাই আহিল তেওঁক দেখিলেই বুজিব পাৰি যে তেওঁ সমাজৰ উচ্চ স্তৰৰ লোক। পিন্ধন-উৰণত দামী কাপোৰ আৰু ভদ্ৰতাৰ স্পষ্ট চাপ। কিন্তু বৰ্তমান তেওঁৰ মুখখনত এক গভীৰ আতংক, ক্লান্তি আৰু দুশ্চিন্তাৰ ক'লা ডাৱৰে ছানি ধৰিছে। তেখেত হ'ল চহৰৰ প্ৰতিষ্ঠিত ব্যৱসায়ী তথা সমাজহিতৈষী ব্যক্তি ভৱ কলিতা। দীন-দুখীক সহায় কৰা এজন উদাৰ আৰু সৎ মানুহ হিচাপে চহৰৰ সকলোৱে তেওঁক শ্ৰদ্ধা কৰে।

ঃ বহক খুৰা, শান্ত হওক।— নিখিলেশে সন্মুখৰ আৰামদায়ক চকীখন দেখুৱাই দিলে।



ভৱ কলিতাই চকীখনত বহি পৰিল আৰু তেওঁৰ চকুৰ পৰা টোপ টোপকৈ পানী ওলাই আহিল। তেওঁ কঁপা কঁপা মাতেৰে ক'লে, ছাৰ মই বৰ ডাঙৰ বিপদত পৰিছো। মোৰ একমাত্ৰ জীয়ৰী হিমা। তাইক আজি সন্ধিয়া প্ৰায় ৫ বজাৰ পৰা বিচাৰি পোৱা নাই। মই লগে লগে স্থানীয় থানালৈ গৈছিলো। কিন্তু পুলিচে ক'লে যে নিৰুদ্দেশ হোৱাৰ ২৪ ঘণ্টা পাৰ নহ'লে তেওঁলোকে অফিচিয়েল কেছ ৰেজিষ্টাৰ কৰিব নোৱাৰে। মোৰ ব্যৱসায়িক শত্ৰু বহুত গতিকে মোৰ বৰ ভয় হৈছে। কোনোবাই মোৰ সোণজনীৰ কিবা অনিষ্ট কৰিলে নেকি?

ঃ নিখিলেশে নিজৰ টেবুলত থকা ডায়েৰীখন মেলি লৈ কলিতাৰ চকুলৈ তীক্ষ্ণ দৃষ্টিৰে চালে, আপোনাৰ কাৰোবাৰ ওপৰত বিশেষভাৱে সন্দেহ হয় নেকি? অলপতে কাৰোবাৰ সৈতে কিবা ডাঙৰ সংঘাত হৈছিলনে?

ঃ ভৱ কলিতাই অলপ সময় চিন্তা কৰি ক'লে, তেনেকৈ মুকলিকৈ কাকো সন্দেহ কৰিব নোৱাৰো। কিন্তু মোৰ বৰ্তমানৰ ব্যৱসায়িক অংশীদাৰ স্পন্দন। সি বৰ জটিল আৰু কুটিল মানুহ। শেহতীয়াকৈ চহৰৰ মাজমজিয়াত থকা আমাৰ এটা বহু কোটিটকীয়া মাটিৰ চুক্তিক লৈ তাৰ সৈতে মোৰ তীব্ৰ মতানৈক্য হৈছিল। সি মোক পৰোক্ষভাৱে পৰিণাম ভোগ কৰিবলৈ সকীয়াই দিছিল।

ঃ নিখিলেশে স্পন্দনৰ নামটো ডায়েৰীখনত ডাঙৰকৈ লিখি ল'লে। স্পন্দন! নামটো চহৰখনৰ আন্ধাৰ জগতৰ বাবে নতুন নহয়। সি ওপৰে ওপৰে এজন প্ৰভাৱশালী ব্যৱসায়ী হ'লেও তাৰ আচল ক'লা ব্যৱসায় ড্ৰাগছৰ সৰবৰাহ আৰু বলপূৰ্বক মাটি দখল কৰাটো। প্ৰশাসনেও জানে অথচ ইমান চতুৰ যে উপযুক্ত প্ৰমাণৰ অভাৱত তাক আজিলৈকে আৰক্ষীয়ে ধৰিব পৰা নাই।

পিছদিনা পুৱাই নিখিলেশ সম্পূৰ্ণ প্ৰস্তুতিৰে অভিযানত নামি পৰিল। প্ৰথম পদক্ষেপ হিচাপে সি ঘটনাৰ উৎসস্থল অৰ্থাৎ ভৱ কলিতাৰ বিশাল অট্টালিকালৈ গ'ল। ঘৰখনত তেতিয়া এক কান্দোনৰ ৰোল উঠিছিল। অনুসন্ধান কৰোতে নিখিলেশে হিমাৰ কোঠাটো পৰীক্ষা কৰিলে। সকলো বস্তু ঠিক-ঠাক আছিল, কোনো

■ নৱম পৃষ্ঠাত

চতুৰ্থ পৃষ্ঠাৰ পৰা ঃ —

# ৰহস্যভেদী নিখিলেশ

জোৰ-জুলুমৰ চিন নাছিল। তেনেতে নিখিলেশে ঘৰৰে এটা কোঠাত ভৰ কলিতাৰ দূৰ সম্পৰ্কীয় ভগ্নী বিভা দেৱীক লগ পালে। যি বিগত কেইবামাহো ধৰি সেই ঘৰতে আছিল। নিখিলেশে মহিলাগৰাকীৰ ওচৰলৈ গৈ অতি নম্ৰতাৰে সুধিলে, মাইদেউ, হিমাক কালি শেষবাৰৰ বাবে আপুনি কেতিয়া লগ পাইছিল?

ঃ বিভা দেৱীয়ে নিখিলেশৰ প্ৰশ্ন শুনি অলপ উচপ খাই উঠিল। তেওঁ নিজৰ শাড়ীৰ আঁচলখন হাতেৰে খামুচি ধৰি ক'লে, নাই মোৰ ঠিক মনত নাই। মই গোটেই আবেলি ওপৰৰ মোৰ কোঠাত আছিলো। মূৰৰ বিষ উঠিছিল। হিমাই তেতিয়া তলৰ ড্ৰয়িং ৰুমত টিভি চাই আছিল। মই তাৰ পিছত কি কেনেকৈ হ'ল একো জনা নাই।

ঃ কথাখিনি কওঁতে মহিলাগৰাকীৰ মাতত এক অস্বাভাৱিক খোকোজা আছিল। নিখিলেশৰ তীক্ষ্ণ আৰু অভিজ্ঞ চকুৱে লক্ষ্য কৰিলে যে কথা পাতি থকা সময়ত বিভা দেৱীৰ হাতৰ আঙুলিবোৰ অবিৰতভাৱে কঁপি আছিল আৰু তেওঁ নিখিলেশৰ চকুৰ সৈতে চকু মিলাবলৈও ভয় কৰিছিল।

ঃ নিখিলেশে পৰিস্থিতিটো সহজ কৰাৰ ভাও জুৰি ক'লে, বৰ গৰম পৰিছে। মোক পানী এগিলাচ দিব পাৰিবনে?

ঃ অহ্ নিশ্চয়, মই পাকঘৰৰ পৰা আনিছো।— এইবুলি বিভা দেৱী তত্তাতৈয়াকৈ কোঠাৰ পৰা ওলাই গ'ল।

ঃ মহিলাগৰাকী ওলাই যোৱাৰ ছেগতে নিখিলেশে চকু ফুৰাই ড্ৰয়িং ৰুমৰ কাষৰ সৰু টেবুলখনৰ তললৈ চালে। তাত এটা সৰু বগা কাগজৰ টুকুৰা মোহাৰি থোৱা অৱস্থাত পৰি আছিল। সি ক্ষিপ্ৰতাৰে কাগজখন বুটলি ল'লে আৰু নিজৰ জেপত ভৰাই থ'লে। পানী খাই নিখিলেশ ঘৰৰ পৰা ওলাই

আহিল। বাহিৰলৈ আহি কাগজখন মেলি চাই সি আচৰিত হ'ল। তাত কম্পিউটাৰ টাইপিঙত লিখা আছিল, 'মোক ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ পৰিত্যক্ত গুদামটোৰ ওচৰত ৰাতি ১২ বজাত লগ কৰিবা গোপনে। কোনেও জানিব নালাগিব। কামটো হ'লে তোমাৰ ভাগ তুমি পাবা।'

নিখিলেশে লগে লগে তাৰ সহকাৰী নিকিক ফোন কৰি মাতি আনিলে।

ঃ নিকি, তুমি এতিয়াৰ পৰা ভৰ কলিতাৰ ঘৰৰ ওপৰত ২৪ ঘণ্টাই চোকা দৃষ্টি ৰাখিব লাগিব। বিশেষকৈ সেই বিভা দেৱী নামৰ মহিলাগৰাকী ক'লৈ যায়, কাৰ লগত কথা পাতে, প্ৰতিটো তথ্য লক্ষ্য কৰিবা। মোক পলকতে খবৰ দিবা।— নিখিলেশে নিৰ্দেশ দিলে।

ইফালে, নিখিলেশে গৈ স্পন্দনৰ মূল কাৰ্যালয়ত উপস্থিত হ'লগৈ। স্পন্দনে তেতিয়া নিজৰ বাতানুকূল কেবিনৰ দামী চকীখনত আঁউজি চিগাৰেটৰ ধোঁৱা উৰুৱাই আছিল। নিখিলেশক হঠাতে সোমাই অহা দেখি সি এক কুটিল আৰু অহংকাৰী হাঁহি মাৰি ক'লে, আহক, আহক ডিটেকটিভ চাহাব! হঠাতে মোৰ এই দুখীয়া ব্যৱসায়ীজনৰ ওচৰলৈ আপোনাৰ দৰে ডাঙৰ মানুহৰ আগমন যে? কিবা বিশেষ কাৰণ?

ঃ আপুনি দেখোন মোৰ নামটো আগতীয়াকৈয়ে জানে স্পন্দন বাবু। —নিখিলেশে শান্ত মাতেৰে ক'লে।

ঃ আপোনাকনো চহৰত কোনে চিনি নাপায়! পিছে আমি আকৌ সমাজৰ চকুত চিনিও অচিনাকিৰ দৰেই।— স্পন্দনে ৰহস্যময় সুৰত ক'লে।

স্পন্দনৰ এই তাৎপৰ্যপূৰ্ণ এষাৰ কথাই নিখিলেশৰ মনত থকা সন্দেহৰ জোৰটো আৰু বেছি দৃঢ় কৰিলে। কিন্তু নিখিলেশৰ তীক্ষ্ণ মনস্তাত্ত্বিক বিশ্লেষণে এটা কথা বুজি পালে যে হিমা বৰ্তমান এই কাৰ্যালয়ত বা স্পন্দনৰ পোনপটীয়া আশ্ৰয়ত নাই। স্পন্দনৰ দৰে ধুৰন্ধৰ অপৰাধীয়ে অপহৰণ কৰা ছোৱালী এজনীক নিজৰ ওচৰত ৰাখি ইমান সহজে নিজকে আৰক্ষীৰ ওচৰত ধৰা পৰিবলৈ নিদিয়ে। ইয়াৰ আঁৰত নিশ্চয় কোনো সুকীয়া গোপন ঘাটি আছে।

পিছদিনা সন্ধিয়া প্ৰায় ৭ বাজিছে। নিখিলেশে নিজৰ কোঠাত বহি স্পন্দনৰ পুৰণি ফাইলবোৰ পৰীক্ষা কৰি আছিল। এনেতে তাৰ ফোনটো বাজি উঠিল। স্ক্ৰীনত নিকিৰ নাম।

ঃ ছাৰ কাম হৈছে।— নিকিয়ে উত্তেজনাপূৰ্ণ স্বৰত ক'লে, 'বিভা দেৱীয়ে ঘৰৰ পিছফালৰে বৰ সাৱধানে ওলাই আহি ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা এখন উবেৰ লৈ চহৰৰ বাহিৰলৈ গৈছে।'

ঃ ঠিক আছে নিকি। তুমি দূৰত্ব বজাই ৰাখি অনুসৰণ কৰা। মোক লাইভ লোকেচনটো শ্বেয়াৰ কৰা। মই ৫ মিনিটৰ ভিতৰত ওলাই আছো।—নিখিলেশে ক'লে।

ঃ নিখিলেশে পলকতে ড্ৰয়াৰৰ পৰা নিজৰ লাইচেন্সপ্ৰাপ্ত ৰিভলভাৰটো ল'লে। জেকেটটো পিন্ধিলে আৰু নিজৰ বুলেট মটৰছাইকেলখন ষ্টাৰ্ট দি তীব্ৰ গতিৰে নিকিয়ে পঠোৱা জিপিএছ লোকেচনৰ দিশে ৰাওনা হ'ল। চহৰৰ কোলাহল পাৰ হৈ সি এটা নিৰ্জন, আন্ধাৰ ঔদ্যোগিক অঞ্চল পালেহি।

ঃ তাত এটা পুৰণি, পৰিত্যক্ত গুদাম ঘৰ আছিল। চাৰিওফালে কেৱল এন্ধাৰ আৰু ধূলিৰ বাহিৰে একো নাছিল। নিখিলেশে নিজৰ বাইকখন অলপ দূৰতে লুকুৱাই থৈ খোজকাঢ়ি গৈ নিকিক লগ পালে। দুয়ো অতি সাৱধানে শব্দ নকৰাকৈ গুদামৰ পিনে আগবাঢ়িল।

ভিতৰৰ পৰা তীব্ৰ কাজিয়া আৰু ফুচফুচনিৰ শব্দ ভাহি আহিছিল। নিখিলেশে ভগা খিৰিকী এখনেৰে জুমি চালে। ভিতৰৰ দৃশ্য দেখি তাৰ তেজ গৰম হৈ উঠিল। কোঠাৰ সোঁমাজতে এখন কাঠৰ চকীৰ সৈতে সৰু ছোৱালী হিমাক ৰছীৰে টানকৈ বান্ধি থোৱা হৈছে। মুখত সোপা দিয়াৰ বাবে তাই কেৱল উচুপিবহে পাৰিছিল। কান্দি কান্দি তাই সম্পূৰ্ণ ভাগৰুৱা হৈ পৰিছিল। তাইৰ সন্মুখত ক্ৰূৰ হাঁহিৰে থিয় হৈ আছিল স্পন্দন আৰু তাইৰ ঠিক কাষতে হাতত টকাৰ বেগ এটা লৈ খঙেৰে থিয় হৈ আছিল ভৰ কলিতাৰ সম্পৰ্কীয় ভনীয়েক বিভা দেৱী।

ঃ মই তোমাক ঘৰৰ ভিতৰৰ সকলো খবৰ দিলো। হিমাৰ টিউচনলৈ অহা-যোৱাৰ সময়পৰ্যন্ত জনালো। এতিয়া চুক্তি মতে মোৰ সম্পূৰ্ণ প্ৰাপ্যখিনি মোক লাগে।— বিভা দেৱীয়ে খঙেৰে স্পন্দনক ক'লে।

ঃ নিশ্চয় পাব বিভা দেৱী। কিন্তু অলপ ধৈৰ্য ধৰক। ভৰ কলিতাই যেতিয়ালৈকে সেই মাটিৰ মূল কাগজত চহী নকৰে, তেতিয়ালৈকে এই ছোৱালীজনী মোৰ কবলৰ পৰা মুক্ত নহয়।— স্পন্দনে এক ভয়ংকৰ অট্টহাস্য কৰি ক'লে।

ঃ আৰু যদি কলিতাই কথা নুশুনে?

স্পন্দনে জেপৰ পৰা এখন চোকা ছুৰী উলিয়াই হিমাৰ মুখৰ ওচৰলৈ লৈ গ'ল।

নিখিলেশে বুজি পালে যে আৰু এক ছেকেণ্ডো পলম কৰাৰ সময় নাই। সি নিকিলৈ চাই চকুৰে ইংগিত দিলে। পিছমুহূৰ্ততে নিখিলেশে নিজৰ শৰীৰৰ শক্তি প্ৰয়োগ কৰি গুদামৰ পুৰণি কাঠৰ দৰ্জাখন গোৰ মাৰি ভাঙি পেলালে!


ঃ স্পন্দন! হাত ওপৰলৈ তোল। তোৰ খেল খতম।— নিখিলেশে বজ্ৰগম্ভীৰ মাতেৰে গৰ্জন কৰি উঠিল।

হঠাতে হোৱা এই আক্ৰমণত স্পন্দন থতমত খাই পৰিল। কিন্তু সি সহজে হাৰ মনাবিধৰ মানুহ নাছিল। সি ক্ষিপ্ৰতাৰে নিজৰ পকেটৰ পৰা এটা পিষ্টল উলিয়াবলৈ চেষ্টা কৰিলে। কিন্তু নিখিলেশে চকুৰ পলকতে স্পন্দনৰ সোঁহাতলৈ লক্ষ্য কৰি নিখুঁতভাৱে ট্ৰিগাৰ টিপি দিলে।

গুলীটো লাগি স্পন্দনৰ হাতৰ পিষ্টলটো মাটিত পৰি গ'ল আৰু সি যন্ত্ৰণাত চিঞৰি মাটিত বাগৰি পৰিল। ইফালে বিভা দেৱীয়ে বেগটো লৈ পলাই যাবলৈ চেষ্টা কৰিছিল যদিও নিকিয়ে লৰালৰিকৈ গৈ তেওঁক কৰায়ত্ত কৰিলে। নিখিলেশে লগে লগে হিমাৰ ওচৰলৈ গৈ ৰছীবোৰ কাটি দিলে আৰু মুখত সোপা দি ৰখা কাপোৰখন আঁতৰাই দিলে।

ততাতৈয়াকৈ নিকিয়ে পূৰ্বৰে পৰা যোগাযোগত থকা চহৰৰ আৰক্ষী অধীক্ষকক ফোন লগালে। ১০ মিনিটৰ ভিতৰতে ছাইৰেন বজাই আৰক্ষীৰ কেইখনো গাড়ী গুদামঘৰৰ সন্মুখত উপস্থিত হ'ল।

আৰক্ষীয়ে স্পন্দন আৰু বিভা দেৱীক হাতকেৰেয়া লগাই গাড়ীত তুলিলে। সেই সময়তে আৰক্ষীৰ সৈতে অহা ভৰ কলিতাই দৌৰি আহি জীয়ৰী হিমাক সাবটি ধৰিলে। তেওঁৰ চকুৰ পৰা কৃতজ্ঞতাৰ অশ্ৰু নিগৰি পৰিল। তেওঁ নিখিলেশৰ হাত দুখন জোৰকৈ খামুচি ধৰি ক'লে, 'আপোনাৰ এই ঋণ মই এই জীৱনত কোনোদিনে শোধ কৰিব নোৱাৰিম। আপুনি মোৰ পৃথিৱীখন পুনৰ ঘূৰাই আনিলে।'



ঃ নিখিলেশে তেওঁৰ কান্ধত হাত থৈ মিচিকিয়া হাঁহি মাৰি ক'লে, 'এয়া মোৰ কৰ্তব্য আছিল খুৰা। আপুনি হিমাক ঘৰলৈ লৈ যাওক, তাই বৰ ভয় খাইছে।'

ঃ আৰক্ষী বিষয়াজনে নিখিলেশৰ ওচৰলৈ আহি পিঠিত থপথপাই ক'লে, অভিনন্দন নিখিলেশ! তুমি সঁচাকৈয়ে আচৰিত কাম কৰিলা। এই কুখ্যাত খলনায়ক স্পন্দনক আমি বহু বছৰজুৰি ধৰিবলৈ চেষ্টা কৰিও ব্যৰ্থ হৈছিলো। সি ইমান চতুৰ যে কোনো প্ৰমাণেই এৰি থৈ নাযায়। আজি তোমাৰ এই সাহসী সহযোগিতাই সমাজখনক এক ডাঙৰ সকাহ দিলে। কিন্তু এটা কথা সোধো, তুমি কিদৰে ইমান নিশ্চিত হ'লা যে এই মহিলাগৰাকী ইয়াৰ সৈতে জড়িত?

ঃ নিখিলেশে হাঁহি এটা মাৰি জেপৰ পৰা সেই কাগজৰ টুকুৰাটো উলিয়াই আৰক্ষী বিষয়াজনক দিলে আৰু ক'লে, 'ছাৰ, আচল শত্ৰু সদায় বাহিৰত নাথাকে। কেতিয়াবা আপোন মানুহৰ ছদ্মবেশতো আটাইতকৈ ডাঙৰ শত্ৰু সোমাই থাকে। মই যেতিয়া কলিতা খুৰাৰ ঘৰলৈ তদন্তৰ বাবে যাওঁ। তেতিয়া মোৰ চকুত এই কাগজৰ টুকুৰাটো পৰিছিল। ইয়াত লিখা কথাবোৰ আৰু মই সোধা-পোছা কৰোতে বিভা দেৱীৰ কঁপি উঠা আঙুলিবোৰ, তেওঁৰ চকুৰ অস্বাভাৱিকতাই মোক ইংগিত দিছিল যে তেওঁ কিবা লুকুৱাইছে। অপৰাধীয়ে যিমানেই নিখুঁত পৰিকল্পনা নকৰক কিয়; ক'ৰবাত নহয় ক'ৰবাত এটা সৰু ভুল বা ক্লু এৰি থৈ যায়। মই কেৱল সেই সূত্ৰডাল ধৰি আগবাঢ়িছিলো।'

ঃ আৰক্ষী বিষয়াজনে নিখিলেশৰ তীক্ষ্ণ বুদ্ধিক পুনৰবাৰ শলাগিলে।

ঃ কুঁৱলী ফালি পুৱাৰ সূৰ্যৰ প্ৰথমটো সোণালী কিৰণ ধৰিত্ৰীত পৰিল। ক'লা মেঘ আঁতৰি চহৰখনলৈ পুনৰ শান্তি নামি আহিল। হিমা সুৰক্ষিতভাৱে পিতৃৰ স্নেহৰ কোলাত আশ্ৰয় ল'লে; কিন্তু নিখিলেশৰ জিৰণি ক'ত! সি নিজৰ জেকেটটো ঠিক কৰি, ক'লা চছমাযোৰ পিন্ধি পুনৰ এক নতুন ৰহস্যৰ ভেদ ভাঙিবলৈ আৰু নতুন কেছৰ সন্ধানত নিজৰ গাড়ীৰ পিনে ধীৰ খোজেৰে আগবাঢ়ি গ'ল। ■

চতুৰ্থ পৃষ্ঠাৰ পৰা ঃ —

# ধৰ্মীয় জ্ঞান, নৈতিকতা, আত্মসংযম

পৰিয়ালৰ সুখ-শান্তি নষ্ট কৰিছে। এজন নিচাগ্ৰস্ত ব্যক্তিৰ ক্ষতি কেৱল তেওঁৰ নিজৰ মাজতেই সীমাবদ্ধ নাথাকে; ইয়াৰ প্ৰভাৱ তেওঁৰ পিতৃ-মাতৃ, পত্নী, সন্তান, আত্মীয়-স্বজন আৰু সমগ্ৰ সমাজৰ ওপৰত পৰে। অধিকাংশ ধৰ্মই নিচাজাতীয় দ্ৰব্যৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়, কিয়নো এইবোৰে মানুহৰ বিচাৰশক্তি, নৈতিকতা আৰু আত্মনিয়ন্ত্ৰণক ধ্বংস কৰে।

একেদৰে ব্যভিচাৰ আৰু অবৈধ যৌন সম্পৰ্কৰ বিষয়টোও সকলো ধৰ্মতে গুৰুত্ব সহকাৰে আলোচনা কৰা হৈছে। ইছলামত বিবাহ বহিৰ্ভূত যৌন সম্পৰ্ক কঠোৰভাৱে নিষিদ্ধ। খ্ৰীষ্টান ধৰ্মত ব্যভিচাৰক পাপ বুলি গণ্য কৰা হয়। হিন্দু ধৰ্মত গাৰ্হস্থ্য জীৱনৰ পবিত্ৰতা আৰু পাৰিবাৰিক মূল্যবোধৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়। বৌদ্ধ ধৰ্মৰ পঞ্চশীলৰ অন্যতম হৈছে অসৎ যৌন আচৰণৰ পৰা বিৰত থকা। এই ধৰ্মীয় দৃষ্টিভংগীসমূহৰ আঁৰত কেৱল আধ্যাত্মিক কাৰণেই নহয়, সামাজিক আৰু মনস্তাত্ত্বিক বাস্তৱতাও নিহিত হৈ আছে। অবৈধ সম্পৰ্কে পাৰিবাৰিক বন্ধন দুৰ্বল কৰে, বিশ্বাসঘাতকতাৰ জন্ম দিয়ে, সন্তানৰ মানসিক বিকাশত নেতিবাচক প্ৰভাৱ পেলায় আৰু বহু সামাজিক সংকটৰ সৃষ্টি কৰে।

আজি ডিজিটেল যুগত মিছা অপবাদ, কুৎসা ৰটনা আৰু অপপ্ৰচাৰৰ সমস্যা এক নতুন ৰূপত দেখা দিছে। সামাজিক মাধ্যমত কোনো তথ্যৰ সত্যতা পৰীক্ষা নকৰাকৈ শ্বেয়াৰ কৰাৰ প্ৰৱণতাই বহু নিৰ্দোষ ব্যক্তিৰ জীৱন বিপৰ্যস্ত কৰি তুলিছে। কুৎসা ৰটনা কেৱল ব্যক্তিগত ক্ষতিৰ কাৰণ নহয়; ই সামাজিক সম্প্ৰীতি আৰু পাৰস্পৰিক বিশ্বাসৰ ভেটিও কঁপাই তোলে। ইছলামত গীবত, অপবাদ আৰু মিছা সাক্ষ্য কঠোৰভাৱে নিষিদ্ধ। খ্ৰীষ্টান ধৰ্মত মিছা সাক্ষ্য প্ৰদান কৰাক দশ আজ্ঞাৰ পৰিপন্থী বুলি কোৱা হৈছে। হিন্দু ধৰ্মতো অসত্য ভাষণ আৰু অপপ্ৰচাৰক অধাৰ্মিক আচৰণ বুলি গণ্য কৰা হয়। বৌদ্ধ ধৰ্মৰ অষ্টাংগিক মাৰ্গত 'সম্যক বাক' বা সৎ কথনক বিশেষ গুৰুত্ব দিয়া হৈছে। এই সকলো শিক্ষা দেখুৱাই যে সত্যৰ প্ৰতি আনুগত্য এখন সুস্থ সমাজৰ অন্যতম ভিত্তি।

সমাজত বৈষম্য আৰু অন্যায়ো এক গুৰুতৰ সমস্যা। ধৰ্ম, জাতি, বৰ্ণ, ভাষা, লিংগ বা আৰ্থিক অৱস্থাৰ ভিত্তিত মানুহক হেয় জ্ঞান কৰাটো কোনো মহান ধৰ্মই সমৰ্থন নকৰে। ইছলামত সকলো মানুহ আদম আৰু হাৱাৰ সন্তান বুলি ঘোষণা কৰি সমতাৰ শিক্ষা দিয়া হৈছে। খ্ৰীষ্টান ধৰ্মত সকলো মানুহ ঈশ্বৰৰ সৃষ্টিৰূপে সমান মৰ্যাদাৰ অধিকাৰী। শিখ ধৰ্মত জাতিভেদৰ বিৰুদ্ধে স্পষ্ট অৱস্থান গ্ৰহণ কৰা হৈছে। বৌদ্ধ ধৰ্মই জন্মগত শ্ৰেষ্ঠত্বৰ ধাৰণাক অস্বীকাৰ কৰিছে। সেয়েহে বৈষম্যৰ বিপৰীতে ন্যায়, সমতা আৰু পাৰস্পৰিক সন্মানৰ সংস্কৃতি গঢ়ি তোলা সকলো ধৰ্মৰ এক অভিন্ন লক্ষ্য।

পুৰুষ আৰু নাৰী-উভয়ৰে ক্ষেত্ৰত নৈতিকতা আৰু ধৰ্মীয় জ্ঞান সমানে প্ৰয়োজনীয়। নৈতিকতাৰ দায়িত্ব কেৱল নাৰীৰ ওপৰত বা কেৱল পুৰুষৰ ওপৰত আৰোপ কৰাটো ভুল। সমাজ এখন সুস্থ আৰু সুষম হ'বলৈ হ'লে উভয়েই সমানে আত্মসংযমী, দায়িত্বশীল আৰু নৈতিক হ'ব লাগিব। পৰস্পৰৰ প্ৰতি সন্মান, সহানুভূতি আৰু দায়িত্ববোধ অবিহনে কোনো পৰিয়াল বা সমাজ দীৰ্ঘস্থায়ীভাৱে সুখী হ'ব নোৱাৰে।

আধুনিক সভ্যতাই মানুহক অসীম সুযোগ প্ৰদান কৰিছে; কিন্তু ইয়াৰ লগতে বহু নতুন প্ৰলোভনো সৃষ্টি কৰিছে। ভোগবাদ, অতি ব্যক্তিকেন্দ্ৰিকতা আৰু তাৎক্ষণিক সুখৰ অনুসন্ধানে বহু ক্ষেত্ৰত মানুহক নৈতিক সীমাৰেখাৰ পৰা আঁতৰাই নিছে। এই পৰিস্থিতিত ধৰ্মীয় জ্ঞান আৰু নৈতিক শিক্ষা কেৱল ব্যক্তিগত বিশ্বাসৰ বিষয় নহয়; ই সামাজিক স্থিতিশীলতা আৰু মানৱ কল্যাণৰো এক অপৰিহাৰ্য উপাদান।

তথাপি এটা কথা স্পষ্টভাৱে বুজিব লাগিব যে প্ৰকৃত ধাৰ্মিকতা কেতিয়াও ঘৃণা, সংকীৰ্ণতা বা বিভাজনৰ নাম নহয়। কোনো ব্যক্তিয়ে যদি অধিক উপাসনা কৰে কিন্তু অসৎ, নিষ্ঠুৰ, অন্যায়পৰায়ণ বা অহংকাৰী হয়, তেন্তে তেওঁৰ ধাৰ্মিকতাৰ দাবী প্ৰশ্নবিদ্ধ হৈ পৰে। প্ৰকৃত ধাৰ্মিকতা প্ৰকাশ পায় মানুহৰ আচৰণত, সততাত, ন্যায়বোধত, দয়াত, সহিষ্ণুতাত আৰু মানৱতাৰ প্ৰতি দায়বদ্ধতাত।

সামৰণিত ক'ব পাৰি যে বিশ্বৰ সকলো মহান ধৰ্মই শেষ পৰ্যন্ত মানুহক একে লক্ষ্যৰ দিশে আহ্বান জনায়-আত্মশুদ্ধি, নৈতিক উৎকৰ্ষ আৰু মানৱ কল্যাণ। সমাজত বৃদ্ধি পোৱা নিচাসক্তি, ব্যভিচাৰ, কুৎসা ৰটনা, মিছা অপবাদ, বৈষম্য, অন্যায় আৰু নৈতিক অৱক্ষয়ৰ প্ৰতিৰোধৰ বাবে কেৱল আইন বা শাস্তি যথেষ্ট নহয়। ইয়াৰ বাবে প্ৰয়োজন পৰিয়ালৰ সুস্থ শিক্ষা, বিদ্যালয়ৰ নৈতিক দীক্ষা, সমাজৰ ইতিবাচক সংস্কৃতি আৰু ধৰ্মীয় মূল্যবোধৰ আন্তৰিক অনুশীলন। যেতিয়া মানুহে ধৰ্মৰ বাহ্যিক পৰিচয়ৰ সলনি ইয়াৰ অন্তৰ্নিহিত মানবিক আৰু নৈতিক শিক্ষাক হৃদয়ংগম কৰিব, তেতিয়া এখন অধিক শান্তিপূৰ্ণ, ন্যায়ভিত্তিক, সম্প্ৰীতিপূৰ্ণ আৰু সভ্য সমাজ গঢ়ি তোলা সম্ভৱ হ'ব। কিয়নো ধৰ্মৰ প্ৰকৃত মহিমা মানুহক বিভক্ত কৰাত নহয়; মানুহক উত্তম মানুহ কৰি তোলাতেই নিহিত। সেই উত্তম মানুহেই শেষ পৰ্যন্ত এখন উত্তম সমাজ, উত্তম জাতি আৰু উত্তম বিশ্ব গঢ়ি তোলে। ■

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

# অসমীয়া সমাজৰ বিপৰ্যয় আৰু উত্তৰণৰ পথ

এহেজাৰ বা বাৰশ টকাৰ বাবে মানুহে দিন গণি থকা এক পৰিৱেশৰ সৃষ্টি হৈছে। চৰকাৰে আৰ্থিকভাৱে পিছপৰা শ্ৰেণীক সহায় কৰিবলৈ আঁচনি ৰূপায়ণ কৰাটো ভাল কথা; কিন্তু ইয়াৰ ফলত সমাজত যি অনুদানমুখী মানসিকতা গঢ়ি উঠিছে, সেয়া অত্যন্ত ভয়াবহ। ক'বলৈ গ'লে— যি জাতিয়ে কষ্ট নকৰাকৈ সকলো বস্তু লাভ কৰাৰ অভ্যাস কৰে, সেই জাতিৰ সৃষ্টিশীলতা আৰু আত্মসন্মানবোধ লাহে লাহে বিলুপ্ত হৈ যায়।

আজি সমাজৰ এটা বৃহৎ অংশই এই অনুদানকে জীৱনৰ একমাত্ৰ সম্বল বুলি ভাবিবলৈ লৈছে। ইয়াৰ ফলত যুৱক-যুৱতীসকলৰ মাজত কাম কৰাৰ প্ৰৱণতা কমি গৈছে। দিনহাজিৰা কৰিবলৈ মানুহ পোৱা নাযায়, অথচ অলিয়ে-গলিয়ে গছৰ তলত বা দোকানৰ মুখত ডেকা ল'ৰাৰ আড্ডা দেখা পোৱা যায়। নিজৰ ভৰিৰ ওপৰত থিয় দিয়াৰ যি আনন্দ, সেই আনন্দক বিসৰ্জন দি চৰকাৰী সাহায্য লাভ কৰাৰ এই প্ৰৱণতাই অসমক উৎপাদনমুখী ৰাজ্যৰ পৰা কেৱল গ্ৰাহকভিত্তিক ৰাজ্যলৈ ৰূপান্তৰিত কৰিছে।

কৰ্মবিমুখতাৰ সমান্তৰালভাৱে অসমীয়া সমাজখনক ভিতৰি ভিতৰি ফোঁপোলা কৰি পেলাইছে বিভিন্ন কুপ্ৰথাই। বৰ্তমান সময়ত মদ, ভাং আৰু মাৰাত্মক ড্ৰাগছৰ প্ৰতি যুৱ প্ৰজন্মৰ আকৰ্ষণ উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। গ্ৰাম্য অঞ্চলৰ পৰা চহৰলৈকে নিচাযুক্ত দ্ৰব্যৰ অবাধ প্ৰচলনে হাজাৰ হাজাৰ পৰিয়াললৈ অন্ধকাৰ নমাই আনিছে। যি বয়সত এজন যুৱকে দেশ আৰু সমাজৰ বাবে চিন্তা কৰিব লাগিছিল, নিজৰ সপোনক বাস্তৱায়িত কৰিবলৈ কঠোৰ পৰিশ্ৰম কৰিব লাগিছিল, সেই বয়সত তেওঁলোকে ড্ৰাগছৰ কবলত পৰি অকাল মৃত্যুক সাৱটি লৈছে। এই নিচাগ্ৰস্ততাৰ ফলত সমাজত অপৰাধৰ মাত্ৰা বৃদ্ধি পাইছে। চুৰি, ডকাইতি, পৰিয়ালৰ ভিতৰুৱা কন্দল আৰু নৈতিক স্খলনৰ দৰে ঘটনাই দৈনিক বাতৰি কাকতৰ শিৰোনাম দখল কৰিছে। পূৰ্বৰ সেই ধৰ্মীয় পৰিৱেশ, নামঘৰ-সত্ৰৰ চৰ্চা, আধ্যাত্মিক চিন্তা আজি বহু পৰিমাণে ম্লান পৰিছে। ধৰ্মীয় অনুষ্ঠানসমূহ এতিয়া কেৱল আনুষ্ঠানিকতাত পৰিণত হৈছে, তাৰ অন্তৰ্নিহিত নৈতিক শিক্ষা গ্ৰহণ কৰিবলৈ মানুহৰ আহৰি নোহোৱা হৈছে।

অসমীয়া সমাজখন এসময়ত সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত অত্যন্ত চহকী আছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱৰ দিনৰে পৰা আৰম্ভ কৰি আধুনিক যুগৰ লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভালৈকে সকলোৱে জ্ঞান আৰু সংস্কৃতিৰ এক পবিত্ৰ ধাৰা বোৱাই ৰাখিছিল। কিন্তু আজিৰ সমাজে কিতাপ পঢ়িবলৈ এৰি দিছে। অধ্যয়নৰ প্ৰতি থকা ধাউতি কমি অহাৰ বাবে সমাজত বৌদ্ধিক খৰাং পৰিস্থিতিৰ সৃষ্টি হৈছে। কিতাপৰ সলনি মানুহৰ হাতত এতিয়া কেৱল ভ্ৰাম্যভাষ বা ম'বাইল ফোন। এই যান্ত্ৰিক সঁজুলিবোৰৰ অপব্যৱহাৰে মানুহক বাস্তৱ পৃথিৱীখনৰ পৰা আঁতৰাই এক কৃত্ৰিম জগতত আবদ্ধ কৰি ৰাখিছে। খেল-ধেমালিৰ প্ৰতিও আজিৰ প্ৰজন্মৰ ৰাপ কম। সমূহীয়া পৰম্পৰাগত খেলসমূহ খেলাৰ পৰিৱৰ্তে বন্ধ কোঠাত বহি ম'বাইল গেম খেলাৰ প্ৰৱণতা বাঢ়িছে। ইয়াৰ ফলত নতুন প্ৰজন্মৰ শাৰীৰিক আৰু মানসিক বিকাশ ব্যাহত হৈছে। জীৱন যাত্ৰা সম্পূৰ্ণৰূপে কৃত্ৰিম আৰু প্ৰদৰ্শনধৰ্মী হৈ পৰিছে। কোনে কিমান দামী গাড়ী কিনিব পাৰে, কোনে কিমান ডাঙৰ অট্টালিকা সাজিব পাৰে-তাৰ এক অসুস্থ প্ৰতিযোগিতা চলিছে। সামাজিক মাধ্যমত মিছা আড়ম্বৰ প্ৰদৰ্শন কৰাটোৱেই এতিয়া বহু লোকৰ জীৱনৰ মূল লক্ষ্য হৈ পৰিছে। এই কৃত্ৰিমতাই মানুহৰ মাজৰ পৰা সৰলতা, সততা আৰু পাৰস্পৰিক বিশ্বাস একেবাৰে নাইকিয়া কৰি পেলাইছে।

অৱশ্যে, সমাজৰ এই সামগ্ৰিক স্খলন আৰু নতুন প্ৰজন্মৰ দিকহাৰা অৱস্থাৰ বাবে কেৱল যুৱ সমাজক দোষাৰোপ কৰিলেই আমাৰ দায়িত্ব শেষ নহয়। এই ক্ষেত্ৰত আমাৰ বৌদ্ধিক সমাজ, সচেতন নাগৰিক আৰু পৰিয়ালৰ জ্যেষ্ঠসকলৰ ভূমিকাও লক্ষণীয় হৈ পৰিছে। আজিৰ অভিভাৱকসকলে সন্তানক কষ্ট কৰিবলৈ শিকোৱাতকৈ সকলো বস্তু হাতৰ কাষতে সজাই দি এক কৃত্ৰিম বিলাসিতাৰ মাজত ডাঙৰ-দীঘল কৰিবলৈ ভাল পোৱা হৈছে। জীৱনৰ সংগ্ৰাম আৰু নৈতিক মূল্যবোধৰ পাঠ পঢ়োৱাতকৈ নম্বৰ লাভৰ অন্ধ প্ৰতিযোগিতাতহে সন্তানক নমাই দিয়া হৈছে। আমাৰ বৌদ্ধিক সমাজ আৰু জ্যেষ্ঠসকলে যেতিয়ালৈকে কেৱল সামাজিক মাধ্যমত সমালোচনা কৰিয়েই ক্ষান্ত থাকিব আৰু নিজৰ ঘৰখনৰ পৰা শ্ৰমৰ মৰ্যাদাৰ পৰিৱেশ গঢ়ি তুলিব নোৱাৰিব, তেতিয়ালৈকে সমাজৰ এই ফোঁপোলা স্বৰূপটো সলনি হোৱাটো সম্ভৱ নহয়।

এই ভয়াবহ সামাজিক আৰু অৰ্থনৈতিক স্খলনৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে প্ৰথমতেই, কায়িক শ্ৰমৰ মৰ্যাদা বুজি পাব লাগিব। হাল বোৱা, খেতি কৰা বা ব্যৱসায় কৰাটো লাজৰ কথা নহয়, বৰঞ্চ গৌৰৱৰ কথাহে —এই ধাৰণা যুৱ প্ৰজন্মৰ মনত সুমুৱাই দিব লাগিব। আমাৰ পথাৰসমূহ পুনৰ শস্য-শ্যামলা কৰি তুলিব লাগিব। বৈজ্ঞানিক পদ্ধতিৰে কৃষি কাৰ্য সম্পাদন কৰি থলুৱা উৎপাদন বৃদ্ধি কৰিলেহে আমি অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'ব পাৰিম।

এই ক্ষেত্ৰত বৰ্তমানৰ আধুনিক প্ৰযুক্তি আৰু কৃষি-উদ্যোগ এক ডাঙৰ আশীৰ্বাদ হ'ব পাৰে। আজিৰ শিক্ষিত যুৱ প্ৰজন্মই পৰম্পৰাগতভাৱে কেৱল নাঙল-যুঁৱলিৰে খেতি কৰিবলৈ টান পাব পাৰে; কিন্তু তেওঁলোকে আধুনিক যন্ত্ৰপাতি, ড্ৰোণ, কাৰিকৰীভাৱে উন্নত মানৰ জৈবিক পদ্ধতি আৰু খাদ্য সংসাধন উদ্যোগৰ দৰে নতুন দিশসমূহ আকোৱালি ল'ব পাৰে। কৃষিক কেৱল জীয়াই থকাৰ মাধ্যম নকৰি যদি একো একোটা লাভজনক ব্যৱসায়িক উদ্যোগ বা কৃষি-উদ্যোগ হিচাপে গঢ়ি তুলিব পৰা যাব, তেতিয়া ই নতুন প্ৰজন্মক খেতিৰ প্ৰতি আকৰ্ষিত কৰাৰ লগতে অসমৰ অৰ্থনীতিক এক নতুন গতি প্ৰদান কৰিব।

দ্বিতীয়তে, চৰকাৰী অনুদানৰ ওপৰত নিৰ্ভৰ নকৰি ডেকা-গাভৰুসকলে আত্মসংস্থাপনৰ পথ বাছি ল'ব লাগিব। কুটিৰ শিল্প, হস্তশিল্প, পশুপালন, মীনপালন আদিৰ জৰিয়তে নিজকে প্ৰতিষ্ঠা কৰাৰ লগতে আন দহজনকো কৰ্মসংস্থাপন দিব পৰাকৈ সক্ষম হ'ব লাগিব। তৃতীয়তে, শিক্ষা ব্যৱস্থাক কেৱল চাকৰিমুখী নকৰি জীৱনমুখী আৰু নৈতিকতাভিত্তিক কৰিব লাগিব। বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথিৰ উপৰি সমাজৰ ইতিহাস, সংস্কৃতি আৰু নৈতিক মূল্যবোধৰ শিক্ষা দিব লাগিব। ঘৰে ঘৰে পুথিভঁৰাল গঢ়ি তুলি কিতাপ পঢ়াৰ পৰিৱেশ ঘূৰাই আনিব লাগিব। খেল-ধেমালি আৰু সাংস্কৃতিক চৰ্চাৰ জৰিয়তে যুৱ সমাজৰ শক্তিৰ সঠিক ব্যৱহাৰ কৰিব লাগিব, যাতে তেওঁলোকে ড্ৰাগছ বা মদৰ দৰে মাৰাত্মক পথ বাছি ল'বলৈ সুযোগ নাপায়।

পৰিশেষত ক'ব পাৰি যে, অসমৰ বুকুত আজিও সকলো সম্ভাৱনা জীয়াই আছে। প্ৰকৃতিয়ে আমাক যি দিছে, তাৰ সঠিক ব্যৱহাৰ কৰিব জানিলে অসম বিশ্বৰ ভিতৰতে এখন চহকী ৰাজ্য হিচাপে মূৰ দাঙি থিয় হ'ব পাৰিব। ইয়াৰ বাবে প্ৰয়োজন কেৱল এক দৃঢ় ইচ্ছা শক্তি আৰু মানসিকতাৰ পৰিৱৰ্তন। আমি আমাৰ হেৰাই যোৱা স্বাৱলম্বিতা, শ্ৰমৰ প্ৰতি থকা শ্ৰদ্ধা আৰু নৈতিক মূল্যবোধক পুনৰ উদ্ধাৰ কৰিব পাৰিলে আমি নিশ্চিতভাৱে এক স্বাৱলম্বী জাতি হিচাপে মূৰ দাঙি থাকিব পাৰিম।

কৰ্মহীনতাৰ অন্ধকাৰ ফালি অসম আকৌ উন্নতি আৰু প্ৰগতিৰ পথত ধাৱমান কৰিব পৰাটোৱেই আমাৰ একমাত্ৰ পণ হোৱা উচিত। ■




# দুৰ্নীতিৰ বিৰুদ্ধে গণজাগৰণ লাগে

প্ৰাণনাথ পাঠক

দুৰ্নীতিৰ খোলা বজাৰত আজি সৰ্বসাধাৰণ নিঃসহায়। এতিয়া সমাজত নীতি ক'ত আছে বুলি মনতে প্ৰশ্নৰ উদয় হয়। কম-বেছি পৰিমাণে মানুহৰ জীৱন নিৰ্বাহত ই এনেকৈ শিপাইছে যে ইয়াৰ লগত আমি সহবাস কৰাত বাহিৰে কোনো বিকল্প নাই। বহু ক্ষেত্ৰত আওকাণ কৰিয়ে চলিবলগীয়া হৈছে। বজাৰত উপলব্ধ গাখীৰ, পানী, কেঁচা শাক-পাচলি, চাউল-দাইল আদি সৰহভাগ সামগ্ৰীয়ে ভেজাল। মানৱ দেহৰ বাবে অপৰিহাৰ্য এই সামগ্ৰীসমূহ ভাল বুলিয়ে গ্ৰহণ কৰিছো যদিও প্ৰকৃততে সৰহভাগেই বৰবিষ। মানুহৰ দেহত ক্ষতি কৰা বিভিন্ন ধৰণৰ ৰাসায়নিক পদাৰ্থ মিহলাই সেইবোৰ এচাম দুষ্কৃতিকাৰীয়ে বজাৰত মেলি দি ধন ঘটি আছে। ইয়াৰ ফলস্বৰূপে মানুহ বিভিন্ন দুৰাৰোগ্য বেমাৰত ভুগিবলগীয়া হৈছে। অকালতে মৃত্যুক আঁকোৱালি লৈছে। চিকিৎসাৰ নামত একশ্ৰেণীৰ মানুহে ঘৰ-মাটি বিক্ৰী কৰি এতিয়া পথৰ ভিক্ষাৰী। আমি উপলব্ধি কৰা উচিত এই খাদ্যবস্তুৰ ভেজালকৰণ কাৰ্য মানৱ জীৱনৰ বাবে কিমান ভয়াৱহ হৈ উঠিছে। কণ কণ শিশু পুষ্টিহীনতাত ভুগিবলগীয়া হৈছে। বুদ্ধি-বৃত্তি বিকাশত বাধাগ্ৰস্ত হৈছে। এনে অসামাজিক কাৰ্যৰ বিৰুদ্ধে বিভিন্ন প্ৰচাৰ মাধ্যমবোৰে দুদিনমানৰ কাৰণে হৈ-চৈৰ সৃষ্টি কৰা পৰিলক্ষিত হৈ থাকে। ৰাইজৰ সজাগতা সিমান দেখিবলৈ পোৱা নাযায়। বিভাগীয় কৰ্মচাৰী বা বিষয়াৰ এইক্ষেত্ৰত কৰ্তব্যৰ প্ৰতি দেখুওৱা অনিহাও মন কৰিবলগীয়া। মানুহৰ কৰ্মস্পৃহা কমি গৈছে। বিশেষভাৱে আমি অমসীয়া মানুহ ইমানেই সোৰোপা হৈছো যে নিজৰ খালী হৈ থকা ঠাই ডোখৰত এডাল বেঙেনা বা জলকীয়া পুলি ৰুবলৈ আগ্ৰহ নকৰো। লাগিলে সেই ঠাইডোখৰ ঘন জংঘলে ভৰি পৰক। এই চৰিত্ৰ সংশোধন কৰিব লাগিব নিজকে সুৰক্ষা দিয়াৰ স্বাৰ্থত। চৰকাৰ বা প্ৰশাসনে এই ভয়াৱহ ভেজাল দুৰ্নীতিৰ বিৰুদ্ধে তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন আছে। নিৰ্ধাৰিত মাত্ৰাতকৈ অধিক কীটনাশক দ্ৰব্যৰ ব্যৱহাৰ হোৱা দেশৰ থলুৱাভাৱে উৎপাদিত বতৰৰ ফচল আম আদি খাদ্যৰ অনুপযোগী বিবেচনা কৰি সেইবোৰৰ আমদানি বন্ধ কৰি দিছে নেপাল, জাপান আদি দেশবোৰে। খাদ্যবস্তুৰ প্ৰতি সেইবোৰ দেশ কিমান সংবেদনশীল সেয়া আমাৰ দেশৰ বাবে এক উদাহৰণ হোৱা উচিত। ভেজাল খাদ্যৰ দৰে ড্ৰাগছৰ কবলত এতিয়া এচাম যুৱক-যুৱতী। সিহঁতৰ উৎপীড়নত সামাজিক শান্তি বিঘ্নিত। মানুহৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি আহিছে। এইক্ষেত্ৰত কৰণীয়খিনি চৰকাৰে কৰিয়ে আছে বিভিন্ন অপৰাধজনিত অসামাজিক কাৰ্য লাভ জেহাদ; নাৰীৰ শ্লীলতা হানি, হত্যা, লুণ্ঠন আদিৰ মূলতে এচাম ড্ৰাগছ আসক্ত লিপ্ত থকাটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। বিপথে পৰিচালিত হোৱা এই কম বয়সীয়া যুৱক-যুৱতীৰ ক্ষেত্ৰত এইটো ধাৰণা কৰিব পাৰি যে পৰোক্ষ বা প্ৰত্যক্ষভাৱে সেইসকলৰ পৰিয়াল কম-বেছি পৰিমাণে দোষী বা দা-দায়িত্বৰ আওতাৰ পৰা নাকে থাকিব নোৱাৰি। অভিভাৱক হিচাপে তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰে কি কৰে কি নকৰে তাক চকু-কাণ দিয়া পৰিয়ালকেন্দ্ৰিক দায়বদ্ধতা থাকে। অভিভাৱকৰ তাগিদা একান্ত প্ৰয়োজন। এটা সময় আছিল যেতিয়া ল'ৰা-ছোৱালীয়ে অবাট লয় তেতিয়া তেওঁলোকৰ পৰিয়ালৰ লগতে সেই অঞ্চলৰ দুই-চাৰিজন সচেতন ব্যক্তিয়ে সিহঁতক বুজনি দি সৎ পথলৈ ঘূৰাই আনিছিল। সময়ত সকীয়নিও দিছিল অসামাজিক কাৰ্যকলাপৰ পৰা বিৰত থাকিবলৈ। আজি আৰু সেই দিনবোৰ নাই। মানুহৰ পাৰস্পৰিক ঘৰুৱা সামাজিক সম্পৰ্কবোৰ ক্ৰমান্বয়ে নাইকিয়া হৈ গৈ আছে। মানুহ এতিয়া বেছি আত্মকেন্দ্ৰিক হোৱা দেখা গৈছে। ডাঙৰ-সৰু বুলি শ্ৰদ্ধা-ভক্তিৰ পৰিৱেশ প্ৰায়ে নাই। এনেকুৱা বিভিন্ন কাৰণতে আজি আমাৰ সমাজ ব্যৱস্থাক উচ্ছৃংখল পৰিৱেশে আগুৰি ধৰিছে। উঠি অহা প্ৰজন্মৰ ভৱিষ্যতৰ কথা ভাবি এই অসামাজিক কাম-কাজ বা অপসংস্কৃতিৰ বিৰুদ্ধে এটা সুসংহত গণজাগৰণৰ আৱশ্যকতা আছে বুলি অনুভৱ কৰা হৈছে।

এক শ্ৰেণীৰ মানুহৰ আশা-আকাংক্ষাৰ সীমা নাথাকে। বিলাস বাসন, আকাশচুম্বী পৰিকল্পনাবোৰৰ অভীষ্ট সিদ্ধিৰ বাবে মানুহে কি কৰিব নোৱাৰে। ভোগসৰ্বস্ব চিন্তা-চেতনাই মানুহক দুৰ্নীতিৰ দৰে কিছুমান অপৰাধযুক্ত অসামাজিক কাৰ্যৰ প্ৰতি আসক্ত কৰি তোলে। দেশ এতিয়া বিয়াগোম বিয়াগোম দুৰ্নীতিৰ গৰাহত। ইয়াক নিয়ন্ত্ৰণ কৰিব পৰাটো চৰকাৰৰ পক্ষে এক প্ৰত্যাহ্বান হৈ পৰিছে। জনসাধাৰণৰ আশা-প্ৰত্যাশা বা চিন্তা-চৰ্চাৰ প্ৰতি চৰকাৰ দায়বদ্ধ। গণতান্ত্ৰিক ব্যৱস্থাত জনসাধাৰণ মতামতক চৰকাৰে উপদেশ হিচাপে গণ্য কৰিব লাগে আৰু যথোচিত সন্মান দিয়া উচিত, তেতিয়া চৰকাৰখনৰ জনপ্ৰিয়তা বাঢ়ে। কেৱল ৰাজনীতিকে সকলো ক্ষেত্ৰতে ঊৰ্ধ্বত ৰাখি শাসন ব্যৱস্থাক সুচাৰুৰূপে পৰিচালনা কৰা চিন্তা-চৰ্চাক সঠিক নহয় যেন লাগে। জনসাধাৰণৰো মতামতবোৰ নিৰ্মোহ বিশ্লেষণ কৰি ইয়াক কাৰ্যত ৰূপান্তৰ কৰাৰ নীতি গ্ৰহণ কৰিব পাৰিলে বিকাশৰ ক্ষেত্ৰত এক গঠনমূলক যোগাত্মক দিশৰ প্ৰতিফলন ঘটিব পাৰে শাসন ব্যৱস্থাত। ৰাজ্যৰ উন্নয়নৰ ধাৰা গতিশীল কৰি ৰাখিবৰ নিমিত্তে বিভাগে বিভাগে হাজাৰ কোটি টকা আবণ্টন দিয়া হয় যদিও তাৰে এটা বৃহৎ অংশ এচাম দুষ্ট চক্ৰৰ পকেটত সোমায়। নিম্নমানৰ কাম-কাজত বিতুষ্ট হৈ ৰাইজে আন্দোলন কৰিবলগীয়া হয়। কোনো প্ৰভাৱশালী ৰাজনৈতিক নেতাৰ ছত্ৰছায়াত এচাম দুষ্কৃতিকাৰী নাচোৰবান্দা। দাগী অপৰাধী কাৰাবাস খাটি জে'লৰ পৰা ওলাই আহোতে মালা পিন্ধাই সম্ভাষণ জনোৱা বা দুৰ্নীতিত পোত গৈ থকা এচামক পদোন্নতি বা ৰাজ সন্মানেৰে পুৰস্কৃত কৰা কাৰ্যবোৰে হে! সজ্জন গণ আৰু বাপ-বান্ধৱসকল আমাৰ নৱপ্ৰজন্মক কি নীতি শিক্ষা দিব বা কোন বাটে পৰিচালিত কৰিব। ভাবিবৰ হ'ল। শুনিছিলো ব্ৰিটিছ শাসনকালত হেনো বংশ-পৰিয়ালৰ আঁতি-গুৰি চাইহে ভাৰতীয়ক দায়িত্বপূৰ্ণ চাকৰিত নিয়োগ কৰিছিল। আজিকালি পিছে আমাৰ স্বাধীন দেশত সকলো সমান। বেছিভাগ ক্ষেত্ৰতে দেখা গৈছে যে ধনবল আৰু জনবলৰ অতপালিত যোগ্যজনো প্ৰাপ্যৰ পৰা বঞ্চিত হোৱাৰ ওজৰ-আপত্তিবোৰ পৰিলক্ষিত হৈ আহিছে। উল্লেখ্য যে দুৰ্নীতিৰ ক্ষেত্ৰত চৰকাৰ শূন্য সহনশীল নীতিৰ প্ৰতি অগ্ৰাধিকাৰ দিয়াৰ কথা বাৰম্বাৰ কৈ আহিছে। তদ্ৰূপ ধৰণে দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ উদাহৰণো ৰাইজৰ দৃষ্টিত পৰিছে। ভাল কথা। ৰাইজে তাকেই বিচাৰে। এইক্ষেত্ৰত চৰকাৰ আৰু অধিক কঠোৰ হৈ আপোচহীন নীতিৰে দুষ্ট চক্ৰবোৰ উৎখাত কৰিব লাগে। কাৰণ অপৰাধী অপৰাধীয়ে, কাৰো প্ৰতি চৰকাৰৰ অনুকম্পা থাকিব নালাগে। তেতিয়াহে চৰকাৰৰ প্ৰতি জনগণৰ আস্থা আৰু জনপ্ৰিয়তা বাঢ়িব। ■

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

## ডাঃ বাবুল বেজবৰুৱা জি

জৰিয়তে ৰাজ্য চৰকাৰে জিএমচিএইচৰ তদানীন্তন অধ্যক্ষ ডাঃ অচ্যুত চন্দ্ৰ বৈশ্যক নলবাৰী মেডিকেল কলেজলৈ অধ্যক্ষ হিচাপে বদলি কৰি নলবাৰী মেডিকেল কলেজৰ অধ্যক্ষ ডাঃ বাবুল কুমাৰ বেজবৰুৱাক জিএমচিএইচৰ অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও কিছুবছৰ জিএমচিএইচৰ অধ্যক্ষৰ দায়িত্ব পালন কৰিছিল ডাঃ বাবুল কুমাৰ বেজবৰুৱাই। ৰাজ্য চৰকাৰে একেদিনাই বিভিন্ন অনিয়মৰ অভিযোগ উত্থাপন হৈ অহা নগাঁও মেডিকেল কলেজৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ডাঃ বিষ্ণুৰাম দাসক পদমৰ্যদা অৱনমিত কৰি বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক হিচাপে বদলি কৰাৰ লগতে জিএমচিএইচৰ শল্য চিকিৎসা বিভাগৰ অধ্যাপক ডাঃ পুৰুজিৎ চৌধুৰীক নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰে। একেদৰে তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ কৰুণা হাজৰিকাক উক্ত পদৰ পৰা আতৰাই শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ বিশেষ কৰ্তব্যৰত বিষয়া হিচাপে নিযুক্তি দিয়াৰ লগতে ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ গুণজিৎ দাসক তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰে। আনহাতে, জিএমচিএইচৰ অধ্যাপক ডাঃ বিজিত কুমাৰ দুৱৰাক নতুন নিৰ্মাণ হ'ব লগা তামুলপুৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক ডাঃ শ্যামন্ত কুমাৰ বৰুৱাক ধেমাজি মেডিকেল কলেজৰ অধ্যক্ষ আৰু লখিমপুৰ মেডিকেল কলেজৰ অধ্যাপক ডাঃ হিৰণ্য বৰাক বিশ্বনাথ মেডিকেল কলেজৰ অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰিছে চৰকাৰে।

## ৰাজ্যত পঞ্জীয়নভুক্ত

সমান্তৰালভাৱে বৃদ্ধি পাইছে অপৰাধজনিত ঘটনাৰ পৰিসংখ্যাও। ২০২১চনৰ জানুৱাৰীৰ পৰা চলিত বৰ্ষৰ জুন মাহলৈ অসমত সংঘটিত হৈছে ৩,৭৮,৪৮৩টা অপৰাধজনিত ঘটনা। ইয়াৰে ভিতৰত আছে ৫৪,৪৯৪ টা চুৰি, ৫২৬ টা ডকাইতি, ৫,৪৫৫ টা হত্যাকাণ্ড, ৪৮২ টা দলবদ্ধ আক্ৰমণ, ১৫,৬৫৬ টা প্ৰৱঞ্চনাৰ ঘটনাৰ লগতে ৩,০১,৮৭০ টা অন্যান্য অপৰাধজনিত ঘটনা। অসম বিধানসভাৰ মজিয়াত বিধায়ক নুৰুল ইছলামৰ এক প্ৰশ্নৰ উত্তৰত গৃহ বিভাগে এই তথ্য সদৰি কৰিছে।

সপ্তম পৃষ্ঠাৰ পৰা ঃ —

## মই নথকাৰ অনুভৱ

বয়সৰ লোকক আকৰ্ষিত কৰিব পৰা এক সন্মোহনীয় শক্তি আছে। যিমান দিনলৈ অসমীয়াৰ অস্তিত্ব থাকিব সিমান দিনলৈ জুবিন গাৰ্গৰ গীতৰ সন্মোহনীয় শক্তি চিৰপ্ৰবহমান হৈ থাকিব। জুবিন গাৰ্গ এগৰাকী অকল কণ্ঠশিল্পীয়েই নাছিল, তেওঁ আছিল একাধাৰে সুৰকাৰ, গীতিকাৰ, অভিনেতা আৰু চলচ্চিত্ৰ নিৰ্মাতা। তেওঁ সাংস্কৃতিক জগতত নতুন অসম গঢ়া খনিকৰ। ভৱিষ্যতৰ স্বপ্নদ্ৰষ্টা। সেয়ে নৱপ্ৰজন্মৰ কাৰণে জুবিন গাৰ্গ হিয়াৰ আমঠু, পথ প্ৰদৰ্শক। তেওঁ নৱপ্ৰজন্মক লৈ নতুন অসম গঢ়াৰ সপোন দেখিছিল।

নমাটি শাখা সাহিত্য সভাৰ সভাপতি আদ্যৰাণী মজুমদাৰ আৰু চাপটগ্ৰাম মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ দীনেশ কলিতায়ো আগবঢ়োৱা শুভেচ্ছা বাৰ্তাত পুথিখনৰ সম্পাদকৰ প্ৰচেষ্টাক প্ৰশংসা কৰিছে। সম্পাদক অৰ্চনা ঠাকুৰীয়াৰ পৰিকল্পনাৰে সজোৱা বেটুপাতটো বাৰুকৈয়ে আকৰ্ষণীয় হৈছে। জুবিন গাৰ্গ নোহোৱাৰ পাছত প্ৰাৰ্থনালৈ ৰূপান্তৰ হোৱা, তেওঁ গোৱা অতি জনপ্ৰিয় 'মায়াবিনী ৰাতিৰ বুকুত...' শীৰ্ষক গীতটোৰে পুথিখন সামৰা হৈছে। ক'বলৈ গ'লে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ সজ প্ৰচেষ্টাৰ সাৰ্থক ফল 'মই নথকাৰ অনুভৱ' কবিতা পুথি।

যিসকলে জাতিৰ বাবে, ভাষাৰ বাবে, সংস্কৃতিৰ বাবে, দেশৰ উন্নতিৰ বাবে জোনাক বিচাৰি কাম কৰে। তেওঁলোকক সদায় সেই জাতিৰ লোকে স্মৰণ কৰি যায়। জুবিন গাৰ্গে এই কামবোৰ কৰাৰ লগতে সুৰমাধুৰ্যৰে সকলোকে আঁকোৱালি লৈছিল। তেওঁ সদায় থিয় দিছিল সমাজৰ দুখৰ সাগৰত ককবকাই থকা লোকসকলৰ নিচেই কাষত। সেয়ে এনে এগৰাকী মহান অসমীয়া, জনতাৰ শিল্পী, মহান শিল্পীক অসমীয়া জাতিয়ে কবিতা, গীত, নাট, গল্প, উপন্যাস, সংগীতালেখ্য আৰু নানা লেখাৰে গুণ-গান, বন্দনা কৰি যুগে যুগে পৰম শ্ৰদ্ধাৰে যুগজয়ী স্মৰণ কৰি যাব। ■

### কৃষিমন্ত্ৰী পীযূষ হাজৰিকাৰ উপস্থিতিত ফল-মূলৰ পুলি-মাহজাতীয় শস্যৰ বীজ বিতৰণ আৰম্ভ

# উদ্যান শস্যৰ ১ কোটি পুলি বিতৰণৰ লক্ষ্য কৃষি বিভাগৰ

## নাথকুছিত স্বাস্থ্য সজাগতা শিবিৰ

**অসম ভূমি সেৱা, নাথকুছি ঃ** টিহুৰ নাথকুছি আঞ্চলিক উন্নয়ন সমিতি আৰু ৰাজেন্দ্ৰ নাথ তালুকদাৰ মেম'ৰিয়েল ট্ৰাষ্টৰ উদ্যোগত আৰু নাথকুছি গাঁও পঞ্চায়তৰ সহযোগত যোৱা দেওবাৰে অনুষ্ঠিত বিনামূলীয়া স্বাস্থ্য আৰু কৰ্কট ৰোগৰ সজাগতা শিবিৰৰ সফল সামৰণি পৰে। ৩৪ নং নাথকুছি গাঁও পঞ্চায়তৰ সভাঘৰ (টিহু চ'ক)ত অনুষ্ঠিত এই শিবিৰ পুৱা ১০ বজাত মুকলি কৰে টিহু জিলা পৰিষদৰ সদস্যা ৰুবী দাসে। এই শিবিৰত বহুসংখ্যক ৰোগীৰ তেজ, চকু, স্বাস্থ্য আদি পৰীক্ষা কৰা হয়। শিবিৰত মুঠ ২২৩ জন ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। ইয়াৰ উপৰি আন ৯০ জন ৰোগীৰ চকু পৰীক্ষা কৰা হয়। ইয়াৰে ১৬ জন ৰোগীৰ চকু চানি ধৰা ৰোগ ধৰা পৰে। উল্লেখ্য যে এই শিবিৰত গুৱাহাটীৰ শংকৰদেৱ নেত্ৰালয়ৰ ভ্ৰাম্যমাণ গাড়ী আৰু ভ্ৰাম্যমাণ মেডিকেল ইউনিটৰ জৰিয়তে সেৱা আগবঢ়োৱা এই চিকিৎসক দলটোৰ তত্বাৱধাৰুৰূপে থাকে ৰাজেন্দ্ৰ নাথ তালুকদাৰ মেম'ৰিয়েল ট্ৰাষ্টৰ অধ্যক্ষ ডাঃ ৰমেন তালুকদাৰ, মেডিচিন বিভাগৰ পৰা ক্ৰমে ডাঃ অনুপম দাস (শিশু বিশেষজ্ঞ), ডাঃ থামিজোহলি এছ (কেঞ্চাৰ ৰোগ বিশেষজ্ঞ, বৰপেটা), ডাঃ মৃণাল তালুকদাৰ (শৈল্য চিকিৎসক), ব্লক পৰিচালনা সঞ্চালক পুলকেশ দাসৰ লগতে ক্ৰমে ডাঃ মানসী শৰ্মা আৰু ডাঃ সুৰজিৎ ডেকাই ৰোগীসকলৰ স্বাস্থ্য পৰীক্ষা কৰি চিকিৎসা পৰামৰ্শ আগবঢ়ায়। এই শিবিৰত ৰোগীসকলক বিনামূলীয়াকৈ ঔষধৰ যোগান ধৰা হয়।

**গুৱাহাটী ঃ** কামৰূপৰ কাঁহিকুছিস্থিত উন্নত প্ৰজাতিৰ উদ্যান শস্যৰ উৎপাদন কেন্দ্ৰৰ চৌহদত যোৱা দেওবাৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্যোগত আয়োজিত 'বীজ আৰু ৰোপণ সামগ্ৰীৰ আনুষ্ঠানিক বিতৰণ' কাৰ্যসূচীত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই। এই আদৰণীয় পদক্ষেপৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ক ধন্যবাদ জ্ঞাপন কৰি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে যে কৃষি বিভাগে সমগ্ৰ ৰাজ্যতে ১ কোটি উচ্চ উৎপাদনক্ষম উদ্যান শস্যৰ পুলি বিতৰণৰ এক অভিলাষী লক্ষ্য স্থিৰ কৰিছে। ফল-মূল আৰু নগদ শস্য উৎপাদনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি তেওঁ কয় যে একেখন মাটিতে পৰিকল্পিতভাৱে সমান্তৰালভাৱে নাৰিকল, জালুক, আনাৰস আৰু ড্ৰেগন ফ্ৰুইট আদিৰ দৰে লাভজনক শস্যৰ মিশ্ৰিত খেতি কৰিলে কৃষক পৰিয়ালসমূহৰ অৰ্থনৈতিক



লাভালাভ বহুগুণে বৃদ্ধি পাব। মন্ত্ৰী হাজৰিকাই ৰাজ্যৰ যুৱপ্ৰজন্মক কম দৰমহাৰ সাধাৰণ চাকৰিৰ বাবে বহিঃৰাজ্যলৈ ঢাপলি মেলাৰ পৰিবৰ্তে বাণিজ্যিক কৃষিক আঁকোৱালি ল'বলৈ এক সবল আহ্বান জনায়। কম উৎপাদনৰ বাবে কেৰ্কেটুৱাৰ উপদ্ৰৱ বা ম'বাইল টাৱাৰৰ বিকিৰণ আদিৰ দৰে অপ্ৰমাণিত কাৰণসমূহক জগৰীয়া কৰাৰ সলনি যুৱপ্ৰজন্মক কঠোৰ পৰিশ্ৰম কৰিবলৈ আৰু প্ৰতিটো সমস্যাৰ ব্যৱহাৰিক সমাধান বিচাৰি উলিয়াবলৈ তেওঁ আহ্বান জনায়। কৃষকৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে চৰকাৰৰ সংকল্পৰ কথা দোহাৰি মন্ত্ৰীগৰাকীয়ে সকীয়াই দিয়ে যে সৰ্বাধিক খুচুৰা মূল্যতকৈ অধিক দামত সাৰ বিক্ৰী কৰা বিক্ৰেতাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এই বছৰ সঠিক সময়ত ধানৰ বীজ বিতৰণ কৰাৰ ফলত স্থানীয় খেতিয়কসকল যথেষ্ট উপকৃত হৈছে বুলিও তেওঁ উল্লেখ কৰে। ইয়াৰ উপৰি, পিএম কিষাণ আৰু প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাৰ দৰে কেন্দ্ৰীয় আঁচনিসমূহৰ সুবিধা যাতে অধিকসংখ্যক কৃষকে লাভ কৰিব পাৰে, তাৰ বাবে বিভাগীয়ভাৱে কৃষক পঞ্জীয়ন প্ৰক্ৰিয়া সম্প্ৰসাৰিত কৰাৰ দিশত কাম চলি থকা বুলি তেওঁ কয়। তেওঁ খেতিয়কসকলক কৃষি আন্তঃগাঁথনি পুঁজিৰ সুযোগ গ্ৰহণ কৰিবলৈকো আহ্বান জনায়। দেশৰ বাণিজ্য ঘাটিৰ প্ৰসংগ উত্থাপন কৰি মন্ত্ৰীগৰাকীয়ে ভাৰতৰ বৃহৎ আমদানি ব্যয় হ্ৰাস কৰাৰ স্বাৰ্থত থলুৱা খেতিয়কসকলক তৈলজাতীয় শস্য আৰু মাহজাতীয় শস্য উৎপাদনত মনোনিবেশ কৰিবলৈ অনুৰোধ জনায়। পেট্ৰ'লত ইথানল মিশ্ৰণক লৈ কিছুসংখ্যক ন্যস্ত স্বাৰ্থৰ ব্যক্তিয়ে অপপ্ৰচাৰ চলাবলৈ চেষ্টা কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে এনে অপপ্ৰচাৰে কৃষকসকলৰ অৰ্থনৈতিক স্বাৰ্থতহে আঘাত হানিব। এই অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে প্ৰায় ১০০ গৰাকী কৃষকৰ মাজত আনুষ্ঠানিকভাৱে ফল-মূলৰ পুলি, মাটিমাহ আৰু মগুমাহৰ বীজ তথা স্প্ৰেয়িং মেচিন বিতৰণ কৰে। উক্ত অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য দীপজ্যোতি ৰাজখোৱা, উদ্যান কৃষি বিভাগৰ সঞ্চালক নৃপেন চন্দ্ৰ দাসৰ লগতে আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

### যাত্ৰীবাহী ৰে'ল গাড়ীৰে শাক-পাচলি সৰবৰাহ ঃ সমস্যাত ৰে'ল যাত্ৰী

# প্ৰস্ৰাৱাগাৰৰ সন্মুখত দ'মে দ'মে পাচলিৰ বস্তা

**ধ্ৰুৱজ্যোতি তালুকদাৰ, পাঠশালা ঃ** শেহতীয়াভাৱে নামনি অসমত চলাচল কৰা একাংশ যাত্ৰীবাহী ট্ৰেইনত সাধাৰণ দবাসমূহত একাংশ লোকে ব্যৱসায়িক উদ্দেশ্যে কেঁচা শাক-পাচলি বৃহৎ পৰিমাণে কঢ়িয়াই নিয়া ঘটনাই বহু সময়ত ৰে'লযাত্ৰীসকলক বিভিন্ন ধৰণে অসুবিধাত পেলাই আহিছে। উল্লেখ্য যে ৰে'লৰে বিভাগৰ নিয়ম অনুসৰি যাত্ৰীবাহী ট্ৰেইনত ব্যক্তিগতভাৱে ব্যৱহাৰ কৰিব পৰা পৰিমাণৰ কেঁচা চব্জি যেনে— আলু, পিঁয়াজ, বন্ধাকবি আদি যাত্ৰীৰ লগত লৈ যোৱাৰ



অনুমতি আছে, বিশেষকৈ সৰু মোনালৈ বা নিজৰ বজাৰ হিচাপে আপুনি ইয়াৰ বাবে কোনো অতিৰিক্ত মাচুল ভৰিব নালাগে। কিন্তু যদি আপুনি ব্যৱসায়িক বা বৃহৎ পৰিমাণৰ কেঁচা চব্জি বহু দূৰলৈ নিব বিচাৰে, তেন্তে আপুনি ইয়াক Indian Railways পাৰ্চেল সেৱাৰ জৰিয়তে বুকিং কৰিব লাগিব। লক্ষণীয়ভাৱে প্ৰতিদিনে সন্ধিয়া নিউ বঙাইগাঁৱৰ পৰা গুৱাহাটীলৈ চলাচল কৰা ৫৫৮০৯ যাত্ৰীবাহী ট্ৰেইনখনৰ একাংশ সাধাৰণ দবাত বিশেষকৈ প্ৰৱেশ আৰু প্ৰস্থান স্থানৰ উপৰি শৌচাগাৰ প্ৰস্ৰাৱাগাৰত প্ৰৱেশ কৰিব নোৱাৰাকৈ প্ৰতিদিনে একাংশ ব্যৱসায়ীয়ে দ'মে দ'মে নেমু টেঙাৰ বস্তাসহ অন্যান্য কেঁচা চব্জিৰ বস্তা নামনিৰ কেইবাটাও ষ্টেচনত উঠাই কৈঠালকুছি, ৰঙিয়া, গুৱাহাটী আদি স্থানলৈ সৰবৰাহ কৰা দৃশ্য ট্ৰেইনত যাত্ৰা কৰা সৰহসংখ্যক যাত্ৰীৰে দৃষ্টিগোচৰ হৈ আহিছে। অত্যধিক পৰিমাণৰ কেঁচা চব্জি নতুবা অন্যান্য সামগ্ৰী ব্যৱসায়িক উদ্দেশ্যে ট্ৰেইনত সৰবৰাহ কৰিবলৈ হ'লে বুকিং কৰাৰ ব্যৱস্থা আছে যদিও এইসকল ব্যৱসায়ীয়ে কোনো ধৰণৰ বুকিং নকৰি জধে-মধে ট্ৰেইনত এনে সামগ্ৰী কঢ়িয়াই ব্যৱসায় চলাই আহিছে। ইপিনে, এনেধৰণে বস্তাসমূহ প্ৰস্ৰাৱাগাৰৰ সন্মুখত দ'মাই থোৱাৰ ফলত যাত্ৰীসকলে শৌচ-প্ৰস্ৰাৱ কৰিবলৈ যোৱা নতুবা ট্ৰেইনত উঠা-নমা কৰাৰ ক্ষেত্ৰত প্ৰায়ে সমস্যাত পৰি আহিছে। স্থানীয় যাত্ৰীবাহী ট্ৰেইনক এচাম অসাধু ব্যৱসায়ীয়ে এনেদৰে মালবাহী ট্ৰেইনত পৰিণত কৰা ঘটনাক লৈ ৰে'লৰেৰ সংশ্লিষ্ট কৰ্তৃপক্ষই অনাগত সময়ত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

# গৃহ গাঁও পাকৰকোণাত অভিনেত্ৰী ভৈৰৱী ডেকাক সম্বৰ্ধনা



**অসম ভূমি সেৱা, হাজো ঃ** ভাষাৰ প্ৰাচীৰ ভাঙি দাক্ষিণাত্যৰ ছবি জগতত নিজৰ অনবদ্য অভিনয়েৰে উজলি উঠিছে অসমৰ সন্তান তথা প্ৰতিভাশালী অভিনেত্ৰী ভৈৰৱী ডেকা (আৰাধ্য)। শেহতীয়াকৈ মুক্তি লাভ কৰা ভৈৰৱী আৰাধ্য অভিনীত তেলুগু বোলছবি 'কথা মল্লপো'-এ দৰ্শক আৰু চলচ্চিত্ৰ সমালোচকৰ মাজত বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। দক্ষিণৰ ছবি জগতত অসমৰ জীয়ৰীগৰাকীৰ এই অভূতপূৰ্ব সফলতাই বৰ্তমান সমগ্ৰ কামৰূপ জিলাৰ লগতে ৰাজ্যখনলৈ এক গৌৰৱৰ জোৱাৰ আনিছে। এই ঐতিহাসিক সফলতাৰ বাবে অলপতে অভিনেত্ৰীগৰাকীৰ নিজৰ গৃহ গাঁও পাকৰকোণাত স্থানীয় পাকৰকোণা ৰাইজে তেওঁক এক বিপুল সম্বৰ্ধনা জ্ঞাপন কৰে। পাকৰকোণা চ'কত অনুষ্ঠিত এই গাম্ভীৰ্যপূৰ্ণ সম্বৰ্ধনা অনুষ্ঠানত বৃহত্তৰ অঞ্চলটোৰ অলেখ গুণমুগ্ধ আৰু অনুৰাগী উপস্থিত থাকি অভিনেত্ৰীগৰাকীক ফুলৰ থোপা, ঐতিহ্যবাহী গামোচা, শৰাই আৰু জাপিৰে উষ্ম আদৰণি জনায়। ভাষা আৰু সংস্কৃতিৰ ভিন্নতাৰ মাজতো অসমৰ জীয়ৰী ভৈৰৱীৰ সফলতাত সকলো স্থানীয় ৰাইজ আনন্দিত হৈ পৰা পৰিলক্ষিত হয়। ৰাইজৰ উষ্ম আদৰণি গ্ৰহণ কৰি আৱেগিক হৈ পৰা অভিনেত্ৰী ভৈৰৱী ডেকাই সাংবাদিকৰ আগত কয়— 'নিজৰ জন্মভূমি আৰু আপোন মানুহখিনিৰ পৰা পোৱা এই মৰম মোৰ বাবে আটাইতকৈ ডাঙৰ আশীৰ্বাদ। সুদূৰ দক্ষিণৰ চিনেমাত কাম কৰোতে প্ৰাৰম্ভিক পৰ্যায়ত ভাষাৰ কিছু সমস্যা হৈছিল যদিও একাগ্ৰতা আৰু নিষ্ঠাৰ বাবে সেয়া সম্ভৱ হৈ উঠিল। আগত দিনত অসম আৰু অসমীয়াৰ নাম ৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকাই তুলিবলৈ মই অধিক কষ্ট কৰিম।'

**Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com**

**Editor: Raghabendra Narayan Dutta Baruah**